# চতুৰ্থ অধ্যায়

# অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ পৰিৱৰ্তিত ৰূপ ঃ আলোচ্য উপন্যাসৰ লগত পৰৱৰ্তী উপন্যাসৰ তুলনামূলক সমীক্ষা

গৱেষণা-গ্ৰন্থৰ তৃতীয় অধ্যায়ৰ অন্তত বিংশ শতিকাৰ তিনি দশক(১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ কেতবোৰ স্বকীয় বৈশিষ্ট্য পৰিলক্ষিত হৈছে। সেইসমূহ হ'ল— নিঃসংগতাৰ বেদনা, আদৰ্শৰ সংঘাত, অতীতৰ স্মৃতি ৰোমন্থন, মূল্যবোধৰ পৰিৱৰ্তন আৰু অৱক্ষয়, জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস, ব্যক্তিকেন্দ্ৰিক অহমিকা অথবা আত্মাভিমান, জীৱনপ্ৰীতি, বাৰ্ধক্যজনিত শাৰীৰিক-মানসিক অসুস্থতা, শৈক্ষিক মূল্যবোধৰ অভাৱ, নগৰীয়া জীৱনৰ যন্ত্ৰণা, কৰ্মব্যস্ততাহীন অৱস্থা, ভাবুক স্বভাৱ, নিৰাপত্তাহীনতা, পৰনিৰ্ভৰশীলতা বা আনৰ বোজা হ'ব লগাৰ আশংকা, পাৰিবাৰিক অৱহেলা আৰু অৱহেলাপ্ৰাপ্তিৰ ভ্ৰান্ত ধাৰণা, পৰিয়াল আৰু সমাজত প্ৰতিপত্তি হেৰুওৱাৰ ভয়, সন্তানৰ প্ৰতি স্নেহ, বৃদ্ধ স্বামী-স্ত্ৰী এজনৰ অবিহনে আনজনৰ নিঃসংগতা, প্ৰজন্মৰ ব্যৱধান, মানৱীয় প্ৰমূল্যৰ অৱক্ষয়, আত্মপৰিচয় হেৰুওৱাৰ আংশকা, আত্মসন্মান অথবা স্বাভিমান হানি হোৱাৰ আতংক, সমাজ আৰু পৰিয়ালত গুৰুত্বহীন হৈ পৰাৰ ভ্ৰান্ত ধাৰণা, বিচ্ছিন্নতা, পৰম্পৰাবিশ্বাসী ধ্যান-ধাৰণা এৰিব নোখোজা আঁকোৰগোজ স্বভাৱ, যৌন অক্ষমতাৰ বাবে অহা অৱসাদ, হেৰুওৱা চিন্তাৰ শৃংখলা নোহোৱা অথবা হেৰাই যোৱা মানসিক সন্তুলন, আৰ্থিক দুৰৱস্থা, পুৰণি লগ-সংগ আৰু ঘৰ-মাটি-ভেটি আৰু গাঁৱৰ প্ৰতি এৰাব নোৱাৰা আকৰ্ষণ, প্ৰকৃতিপ্ৰীতি, স্ব-ইচ্ছাৰে ওলাই-সোমাই ফুৰাত প্ৰতিবন্ধক, বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰ অভাৱ, পৰিচালনাৰ নিয়ন্ত্ৰণ হেৰুওৱা, মৃত্যুভয়, অপ্ৰকাশিত জীৱনৰ ৰহস্য আৰু আত্ম-অনুশোচনাই উল্লেখযোগ্য।

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত থকা বৈশিষ্ট্যসমূহে এক নিৰ্দিষ্ট সময়ৰ সামাজিক-পাৰিবাৰিক পটভূমিক প্ৰতিনিধিত্ব কৰিছে। এই কথা স্পষ্ট কৰিবৰ বাবে বিংশ শতিকাৰ নৱৈৰ দশকৰ শেষ আৰু একবিংশ শতিকাৰ ডেৰ দশক (১৯৯১-২০১৫)ৰ আৰু লগত বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ এটি

তুলনামূলক সমীক্ষা অধ্যায়টোৰ প্ৰথম উপ-অধ্যায়ত কৰিবলৈ বিচৰা হৈছে। দ্বিতীয় উপ-অধ্যায়ত অসমীয়া সফল বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ মূল্যায়নৰ বাবে অন্যান্য ভাষাৰ সাহিত্যৰ অন্তৰ্গত ইংৰাজী, বাংলা আৰু হিন্দী ভাষাৰ কেইখনমান উপন্যাসৰ লগত অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ এটি তুলনামূলক বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে। তৃতীয় উপ-অধ্যায়ত চৰকাৰী আৰু সামাজিক পৃষ্ঠপোষকতাত বৃদ্ধসকলৰ বাবে প্ৰস্তুত কৰা আইন-নীতি আৰু নিৰ্দেশনাৰ সাম্প্ৰতিক অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ জৰিয়তে সম্পৰীক্ষা কৰা হৈছে। চতুৰ্থ উপ-অধ্যায়ত আলোচ্য কালৰ (১৯৬১-১৯৯০) বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ প্ৰেৰণাত সৃষ্ট পাছৰ কালৰ উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ নতুন জটিলতাৰ পৰ্যবেক্ষণ কৰা হৈছে।

## ৪.০ বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ সমল ঃ

বিংশ শতিকাৰ শেষ আৰু একবিংশ শতিকাৰ ডেৰ দশক(১৯৯১-২০১৫)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসসমূহৰ সমল সংগ্ৰহ কৰিবলৈ কেইখনমান অসমীয়া উপন্যাসৰ সহায় লোৱা হৈছে। সেইকেইখন ক্ৰমে— লক্ষ্মীনন্দন বৰাৰ *কায়কল্প* (২০০২); হোমেন বৰগোহাঞিৰ *এদিনৰ ডায়েৰী* (২০০৩); ধ্ৰুৱজ্যোতি বৰাৰ *কাহিনী* (২০০৮); পূৰবী বৰমুদৈৰ *বাঘশাল বাঘজাল আৰু মানুহ* (২০০০), *ৰূপোৱালী নৈৰ সোণোৱালী ঘাট* (২০০১); পোলেন বৰকটকীৰ *অৰণ্যৰ ৰ'দ, জোনাক আৰু এন্ধাৰ* (২০০৯); অনুৰাধা শৰ্মা পূজাৰীৰ *জলছবি* (২০১৪); ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাৰ *বিষণ্ণ অপৰাহ্ণ* (২০০৬); মণিকুন্তলা ভট্টাচাৰ্যৰ *বন্ধ ঘৰৰ খিৰিকী* (২০১৩); সন্তোষ কুমাৰ কৰ্মকাৰৰ *অ' মোৰ আপোনাৰ দেশ* (২০১৪) আৰু জিতুমণি বৰাৰ *শেষ পৃষ্ঠা* (২০১৫) উল্লেখযোগ্য।

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ লক্ষণসমূহ স্পষ্ট কৰিবলৈ বিংশ শতিকাৰ শেষ আৰু একবিংশ শতিকাৰ ডেৰ দশক (১৯৯১-২০১৫) আৰু বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ এটি তুলনামূলক সমীক্ষাৰ প্ৰয়াস কৰা হ'ল।

**বিংশ আৰু একবিংশ শতিকাৰ বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ সাদৃশ্য ঃ**

বিংশ শতিকাৰ নৱৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) আৰু বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ তুলনাৰ অন্তত কেইটামান সাদৃশ্য দৃষ্টিগোচৰ হৈছে। সেইকেইটা হ'ল—

■ **কালানুক্রমিক বয়সৰ গুৰুত্ব ঃ**

বিংশ শতিকাৰ নৱৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) আৰু বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ লোকৰ চৰিত্ৰৰ কালানুক্রমিক বয়সৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে। হোমেন বৰগোহাঞিৰ *পিতা-পুত্ৰ* উপন্যাসত শিৱনাথৰ বয়স আঠচল্লিশ আৰু দেবেন্দ্ৰনাথ আচাৰ্যৰ *অন্য যুগ অন্য পুৰুষ* উপন্যাসত গাঁওবুঢ়া দুৰ্গম চিকাৰীৰ বয়স এশ সাত বছৰ বুলি উপন্যাস দুখনত উল্লেখ আছে। আঠচল্লিশ বছৰীয়া শিৱনাথক কালানুক্রমিক বয়সৰ হিচাপেৰে বৃদ্ধ বুলিব নোৱাৰি যদিও জীৱনৰ অভিজ্ঞতাৰে বৃদ্ধ শিৱনাথৰ বৰ্ণনা তৃতীয় অধ্যায়ত উল্লেখ কৰা হৈছে। কালানুক্রমিক বয়সত গুৰুত্ব দিয়া অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসসমূহৰ প্ৰায়কেইখনতেই অৱসৰপ্ৰাপ্ত চাকৰিয়াল, শিক্ষক বা অধ্যাপকৰ বৰ্ণনা পোৱা যায়। এনে অৱসৰী বৃদ্ধ লোকৰ বয়সৰ সীমা সত্তৰ বছৰ বুলি প্ৰায়কেইখন উপন্যাসত উল্লেখ পোৱা গৈছে। পুৰুষতকৈ মহিলাৰ বাৰ্ধক্যৰ কালানুক্রমিক বয়সৰ উল্লেখ কম— সেই কথা বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখনত প্ৰতিফলিত হৈছে। অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ প্ৰায়কেইখনত বৃদ্ধ নাৰীৰ বয়সৰ উল্লেখ তেনেকৈ পোৱা নাযায়। অনুৰাধা শৰ্মা পূজাৰীৰ *জলছবি* উপন্যাসৰ বৃদ্ধা সুৱৰ্ণজ্যোতিৰ বয়স একাশী বছৰ, নৰকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়* উপন্যাসত বৃদ্ধা আইতাৰ বয়স 'চাৰিকুৰিলৈ এবছৰ কম' অৰ্থাৎ ঊনাশী বছৰ আৰু নিৰুপমা বৰগোহাঞিৰ *অভিযাত্ৰী* উপন্যাসত বৃদ্ধা চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বয়স সত্তৰ বছৰ বুলি উল্লেখ পোৱা গৈছে। গতিকে পুৰুষৰ বাৰ্ধক্যৰ প্ৰাথমিক বয়সৰ সীমা অৱসৰ গ্ৰহণৰ পৰৱৰ্তী সময় ষাঠি-সত্তৰ বছৰ বুলি ক'ব পাৰি। উপন্যাসসমূহত মহিলাৰ বয়সৰ উল্লেখ স্পষ্ট নোহোৱাৰ বাবে বাৰ্ধক্যৰ প্ৰাথমিক সময়ৰ উল্লেখ পোৱা নাযায়; কিন্তু উচ্চতম বয়সৰ সময়সীমা সত্তৰ-আশী বছৰ বুলি দুই-এখন উপন্যাসত প্ৰত্যক্ষ কৰা হৈছে।

**■ নিঃসংগতাৰ বেদনা ঃ**

বিংশ শতিকাৰ নৱৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) আৰু বিংশ শতিকাৰে তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত প্ৰতিফলিত বৃদ্ধ লোকৰ নিঃসংগতাৰ বেদনাৰ সাদৃশ্য পোৱা যায়। পূৰবী বৰমুদৈৰ *বাঘশাল বাঘজাল আৰু মানুহ* শীৰ্ষক উপন্যাসত ডাঙৰ গোসাঁনী নামৰ বৃদ্ধা মহিলাগৰাকীয়ে অতীতৰ জীৱনৰ ৰহস্যক বাৰ্ধক্যত লুকুৱাবলৈ গৈ মানসিক নিঃসংগতাৰ সন্মুখীন হৈছে। বৃদ্ধ চীফ ইঞ্জিনীয়াৰ আদিত্য বৰুৱাৰ অৱসৰী জীৱনৰ একাকিত্ব আৰু নিঃসংগতাৰ মনোবেদনা হোমেন বৰগোহাঞিৰ *এদিনৰ ডায়েৰী* উপন্যাসখনত প্ৰকাশ পাইছে। পত্নীৰ মৃত্যুৰ পাছৰে পৰা বৰুৱাৰ মানসিক নিঃসংগতা বৃদ্ধি পোৱাৰ প্ৰধান কাৰণ উচ্চশিক্ষিত প্ৰবাসী পুত্ৰ-কন্যাৰ ভৌগোলিক দূৰত্বই সৃষ্টি কৰা মানসিক দূৰত্বৰ ব্যৱধান— "বয়স বঢ়াৰ লগে লগে এনেকৈ অকণ অকণকৈ পুঞ্জীভূত বিষাদৰ আকাৰো বাঢ়ি গৈ থাকে।"[১] পোলেন বৰকটকীৰ *অৰণ্যৰ ৰ'দ, জোনাক আৰু এন্ধাৰ* উপন্যাসত পো-বোৱাৰী-নাতিৰে ভৰপূৰ সংসাৰখনত নৱৈবছৰীয়া বৃদ্ধ পিতৃয়ে নিঃসংগতাৰ বেদনা অনুভৱ কৰি বৰ্তমানৰ যান্ত্ৰিক সভ্যতাৰ এক জীৱন্ত ফচিল বুলি নিজকে ভাবিবলৈ লৈছে। পত্নীৰ মৃত্যুৰ পাছৰে পৰা কিতাপকে বিশ্বস্ত সংগী কৰি লোৱা বৃদ্ধগৰাকীয়ে অৱশেষত দৃষ্টিশক্তি হেৰুৱাই সেই বিশ্বস্ত প্ৰিয় সংগী কিতাপৰ পৰাও চিৰবিচ্ছেদ হৈছে। মানসিক নিঃসংগতাৰ বেদনাত বৃদ্ধগৰাকীয়ে অন্তৰ্মুখিতাৰে বাৰ্ধক্য-জীৱন অতিবাহিত কৰিছে।

> মোৰ এতিয়া এইদৰে ফুৰাৰ বয়স আছেনে? জীৱনত বহুতো ফুৰিলো, বহুতো দেখিলো, বহুতকে লগ পালো, মোৰ এইবোৰৰ ক'টা প্ৰায় সম্পূৰ্ণ হৈছে। মোৰ বাবে এতিয়া আৰু একো বাকী নাই, আনন্দ-হৰিষ-বিষাদ সকলোকে পূৰ্ণ ৰূপত মই পাইছো, ...মোৰ বাবে জীৱনৰ এতিয়া এটা কামেই বাকী, এটা ক্ষণৰ অপেক্ষাতে মই ৰৈ আছো, মাৰৰ ওচৰলৈ কেতিয়া যাব পাৰো সেই ক্ষণটোৰ অপেক্ষাত।[২]

যুগ পৰিৱৰ্তিত যান্ত্ৰিক সমাজত কৰ্মব্যস্ততাই মানুহৰ সমন্ধত শিথিলতা অনাত একক পৰিয়ালত জীৱন যাপন কৰা একাংশ বৃদ্ধ লোকৰ নিঃসংগতাৰ বেদনা গভীৰ হৈ পৰা অসমীয়া কোনো কোনো

---

১। হোমেন বৰগোহাঞি, *এদিনৰ ডায়েৰী*, পৃ. ১১

২। পোলেন বৰকটকী, *অৰণ্যৰ ৰ'দ, জোনাক আৰু এন্ধাৰ*, পৃ. ২৭

উপন্যাসত প্ৰত্যক্ষ কৰা হৈছে। নিঃসংগতাৰ বেদনা আৰু একাকিত্বক পৰিহাৰ কৰি জীৱনৰ সংগী বিচাৰি বৃদ্ধাশ্ৰমৰ আলহী হোৱা নিৰ্মলা নামৰ এগৰাকী বৃদ্ধাৰ বাৰ্ধক্যৰ কৰুণ প্ৰতিচ্ছবি মনিকুন্তলা ভট্টাচাৰ্যই *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসত হৃদয়স্পৰ্শী ৰূপত তুলি ধৰিছে। স্বামীবিহীন বৃদ্ধা নিৰ্মলাই সন্তানৰ অনাদৰ, অৱজ্ঞা, উপেক্ষাৰে নিঃসংগতাৰ বেদনাক আঁকোৱালিব লগা হৈছে। একাশী বছৰীয়া এগৰাকী বৃদ্ধাই বাৰ্ধক্যত 'এলজাইমা'ৰ ৰোগত আক্ৰান্ত হৈ কেনেদৰে নিঃসংগতাৰ বেদনা অনুভৱ কৰি দিশহাৰা হৈছে, তাৰেই সঁচা প্ৰতিচ্ছবি অনুৰাধা শৰ্মা পূজাৰীয়ে *জলছবি* উপন্যাসত বাস্তৱ আৰু হৃদয়স্পৰ্শী ৰূপত দাঙি ধৰিছে। বাৰ্ধক্যত স্বামী-স্ত্ৰী এজনৰ অবিহনে আনজনৰ ভয়াৱহ নিঃসংগতাৰ বেদনা উপন্যাসকেইখনত প্ৰত্যক্ষ কৰা হৈছে। বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসসমূহৰ ভিতৰত নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ,* অৰুণ শৰ্মাৰ *উভলা শিপা,* হোমেন বৰগোহাঞিৰ *অস্তৰাগ,* শীলভদ্ৰৰ *অনুসন্ধান* আৰু *গধূলি* উপন্যাসৰ বৃদ্ধ চৰিত্ৰৰ মানসিক নিঃসংগতাৰ বেদনা তুলি ধৰিছে। পত্নীবিহীন বৃদ্ধ স্বামীৰ মানসিক অন্তৰ্দ্বন্দ্বৰ প্ৰতিচ্ছবিৰ সাদৃশ্য উপন্যাসসমূহত প্ৰত্যক্ষ কৰা হৈছে।

- **বৃদ্ধ নাৰীৰ মনোবেদনা ঃ**

বিংশ শতিকাৰ নৱৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত পুৰুষতান্ত্ৰিক সমাজত স্বাধীন হ'ব নোৱৰা এক শ্ৰেণী বৃদ্ধ নাৰীৰ মনোবেদনা প্ৰত্যক্ষ কৰা হৈছে। পূৰৱী বৰমুদৈৰ *বাঘশাল বাঘজাল আৰু মানুহ* উপন্যাসত বৃদ্ধা মাতৃৰ অৱসৰহীন, কঠিন পৰিশ্ৰমত বাৰ্ধক্যই হেঙাৰ হৈ পৰাৰ বৰ্ণনা পোৱা যায়।

> আজি যদি কঁকালৰ বিষ, কাইলৈ জ্বৰ, পৰহিলৈ চকুৰে ধোঁৱা-কোৱা দেখা, তাৰ পিছদিনালৈ মূৰফুৰণি। ইতিমধ্যে তেওঁৰ কঁকালটোও হালিবলৈ লৈছে। কাকিনী তামোলৰ দৰে ওখ, ঋজু, দেহৰ মানুহগৰাকী ধনু এখনৰ দৰে বেঁকা হৈ যাবলৈ আৰম্ভ কৰিছে। দাঁতবোৰ সৰি দুটা নে এটা দাঁতহে এতিয়া বাকী আছেগৈ। আজিকালি খোজকাঢ়ি ইফাল-সিফাল কৰিবলৈ তেওঁ বাঁহৰ লাখুটি এডাল হাতত লয়। তেখেতক অকল শাৰীৰিকভাৱেও নহয়, মানসিকভাৱেও অৱলম্বন এটাৰ প্ৰয়োজন হৈ পৰিছে।[৩]

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্গত নিৰুপমা বৰগোহাঞিৰ *অন্য জীৱন* আৰু

---

৩। পূৰৱী বৰমুদৈ, পূৰ্বোল্লিখিত, পৃ. ২১৬

*অভিযাত্ৰী* শীৰ্ষক উপন্যাসত পুৰুষতান্ত্ৰিক সমাজত স্বাধীন হ'ব নোৱাৰা একাংশ বৃদ্ধ নাৰীৰ মনৰ ক্ষোভ, শাৰীৰিক কঠোৰ পৰিশ্ৰম, পাৰিশ্ৰমিক অবিহনে অৱসৰহীন বাৰ্ধক্যৰ দুৰৱস্থা বৰ্ণনা পোৱা যায়।

**▪ অতীতৰ জীৱনৰ ৰহস্য ঃ**

বিংশ শতিকাৰ নৱৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ লোকৰ অতীতৰ জীৱনৰ ৰহস্য প্ৰতিফলন হোৱা দেখা যায়। পূৰবী বৰমুদৈৰ *বাঘশাল বাঘজাল আৰু মানুহ* উপন্যাসখনত বৃদ্ধা ডাঙৰ গোসাঁনীৰ চৰিত্ৰত অতীতৰ জীৱনৰ ৰহস্যক অৱদমন কৰা আৰু সেই ৰহস্যই সৃষ্টি কৰা মনোদ্বন্দ্বৰ উল্লেখ পোৱা যায়। অতীতৰ জীৱনৰ ৰহস্যৰে ৰ'দ, জোনাক আৰু এন্ধাৰৰ অনুসন্ধান কৰা পোলেন বৰকটকীৰ *অৰণ্যৰ ৰ'দ, জোনাক আৰু এন্ধাৰ* উপন্যাসত নৱৈবছৰীয়া এগৰাকী বৃদ্ধই জীৱনক সূক্ষ্ম পৰ্যবেক্ষণ কৰিছে। অতীতৰ জীৱনৰ ৰহস্যই বৃদ্ধ চৰিত্ৰটোক মনৰ জটিলতাৰে স্থিতপ্ৰজ্ঞৰ ভূমিকা গ্ৰহণ কৰিবলৈ বাধ্য কৰিছে।

অতীতৰ জীৱনৰ ৰহস্যই মানসিক জটিলতা সৃষ্টি কৰা আৰু বাৰ্ধক্যৰ অনুশোচনাৰ বৰ্ণনা বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসতো প্ৰত্যক্ষ কৰা হৈছে। শীলভদ্ৰৰ *অনুসন্ধান* উপন্যাসত অতীতত দুৰ্ঘটনাবশতঃ নদীৰ গৰাত পৰি মৃত্যুক সাবটি লোৱা ভনীয়েক মামণিৰ মৃত্যুৰ বাবে বৃদ্ধ যোগেন মহন্তই নিজকে জগৰীয়া কৰিছে। সেইবাবে বাৰ্ধক্যত তেওঁৰ চিন্তা-চেতনাৰ শৃংখলা নোহোৱা হৈ পৰিছে।

**▪ অতীতৰ স্মৃতি ৰোমন্থন ঃ**

বাৰ্ধক্যত ভৱিষ্যতো নাথাকে, বৰ্তমানো নাথাকে— থাকে মাথোন অৱশিষ্ট অতীত আৰু অতীতসৰ্বস্বতা— অতীতৰ স্মৃতি ৰোমন্থন বিংশ শতিকাৰ নৱৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত দৃষ্টিগোচৰ হৈছে। পূৰবী বৰমুদৈৰ *ৰূপোৱালী নৈৰ সোণোৱালী ঘাট* উপন্যাসখনত বৃদ্ধ হৰকান্ত শৰ্মাৰ জীৱনৰ অভিজ্ঞতাৰ উপলব্ধি এনে ধৰণৰ— পুৰণি কথাৰ বাহিৰে বয়সত নতুন কথা ভাবিবলৈ মানুহৰ একোৱেই নাথাকে। বৰমুদৈৰ *বাঘশাল বাঘজাল আৰু মানুহ* শীৰ্ষক উপন্যাসত বৃদ্ধা ডাঙৰ গোসাঁনীয়ে বাৰ্ধক্যৰ ভাগৰুৱা জীৱনক লৈ কৰা অনুশোচনা আৰু আক্ষেপৰ

উল্লেখ উপন্যাসখনত পোৱা যায়। "আৰু কি ভাবিম, ওলাই অহা বেলিটোৰ কথা ভাবিবলৈ মোৰ এতিয়া সময় নাই... মানুহে এনেকৈয়ে বুঢ়া হৈ ডুবন্ত বেলিৰ কথা ভাবিবলৈ লয়।"[৪]

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্গত নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ*, অৰুণ শৰ্মাৰ *উভলা শিপা*, হোমেন বৰগোহাঞিৰ *অস্তৰাগ* আৰু শীলভদ্ৰৰ *অনুসন্ধান*, *তৰংগিনী*, *অবিচ্ছিন্ন* আৰু *গধূলি* উপন্যাসত বৃদ্ধ চৰিত্ৰৰ অতীতৰ স্মৃতি ৰোমন্থন আৰু মনৰ জটিলতাৰ অৱদমনৰ চিত্ৰ প্ৰতিফলন হোৱা দেখা যায়।

**▪ আঁকোৰগোজ স্বভাৱ ঃ**

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত পৰম্পৰাবিশ্বাসী বৃদ্ধ লোকৰ মনৰ আঁকোৰগোজ স্বভাৱ প্ৰত্যক্ষ কৰা হৈছে। পূৰৱী বৰমুদৈৰ *বাঘশাল বাঘজাল আৰু মানুহ* উপন্যাসত পৰম্পৰাবিশ্বাসী আইতাই (ডাঙৰ গোসাঁনী) মনৰ আঁকোৰগোজ স্বভাৱক প্ৰাধান্য দিয়াৰ কাৰণে নাতিনীহঁতৰ শিক্ষা আৰু চিন্তা-আদৰ্শত প্ৰতিবন্ধকৰ সৃষ্টি হৈছে। পাছলৈ কিন্তু আইতাই মনৰ আঁকোৰগোজ স্বভাৱ ত্যাগ কৰি নিজৰ কাৰ্যকলাপৰ বাবে অনুশোচনা কৰিছে আৰু নাতিনীহঁতক সুশিক্ষাৰে আগুৱাই যাবলৈ উৎসাহিত কৰিছে।

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্গত নৱকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়*, নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* আৰু হোমেন বৰগোহাঞিৰ *অস্তৰাগ* উপন্যাসৰ বৃদ্ধ চৰিত্ৰত মনৰ আঁকোৰগোজ স্বভাৱ ফুটি উঠা দেখা যায়।

**▪ ইতিহাস-চেতনা ঃ**

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত প্ৰতিফলিত স্বদেশপ্ৰীতি, ইতিহাস-চেতনাত বৃদ্ধ লোকৰ সামাজিক দায়বদ্ধতা আৰু সচেতনতাৰ পৰিচয় পোৱা যায়। পূৰৱী বৰমুদৈৰ *ৰূপোৱালী নৈৰসোণোৱালী ঘাট* উপন্যাসত ঊনৈশ শতিকাৰ এগৰাকী প্ৰভাৱশালী আমোলা বৃদ্ধ হৰকান্ত শৰ্মা মজুমদাৰ বৰুৱাৰ কথকতাৰে অসমৰ সমাজ-জীৱনৰ ঘটনাবহুল

---

৪। পূৰৱী বৰমুদৈ, পূৰ্বোল্লিখিত, পৃ. ২১৮-২১৯

ৰূপ উপন্যাসখনত আলোকপাত কৰা হৈছে। অসমৰ সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক ইতিহাসৰ তথ্য উপন্যাসখনত পোৱা যায়। সূত্ৰধাৰৰূপী ষাঠিবছৰীয়া হৰকান্ত শৰ্মাই বয়সৰ দুৰ্বলতা নেওচি আত্মজীৱনী লিখিবলৈ বাৰ্ধক্যত প্ৰচেষ্টা চলোৱা উপন্যাসখনত দৃষ্টিগোচৰ হৈছে। ইয়াৰ প্ৰধান কাৰণ ভৱিষ্যৎ প্ৰজন্মক লৈ বাৰ্ধক্যত সৃষ্টি হোৱা মনৰ উদ্ৰেক।

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্গত নৱকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়* উপন্যাসৰ সূত্ৰধাৰী বৃদ্ধ আইতাৰ চৰিত্ৰ আৰু দেৱেন্দ্ৰনাথ আচাৰ্যৰ *কালপুৰুষ* আৰু *অন্য যুগ অন্য পুৰুষ* উপন্যাসৰ নদাই সঁজাতি আৰু বেং বেলেস্টাৰ নামৰ বৃদ্ধ চৰিত্ৰত স্বদেশপ্ৰীতি, ভৱিষ্যৎ প্ৰজন্মৰ প্ৰতি সৃষ্টি হোৱা মনৰ উৎকণ্ঠা প্ৰকাশ পাইছে।

■ **আত্ম-অনুশোচনা ঃ**

বিংশ শতিকাৰ নৱৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বাৰ্ধক্যৰ আত্ম-অনুশোচনা বৃদ্ধ চৰিত্ৰত প্ৰত্যক্ষ কৰা হৈছে। পূৰবী বৰমুদৈৰ *ৰূপোৱালী নৈৰ সোণোৱালী ঘাট* উপন্যাসত বৃদ্ধ হৰকান্ত শৰ্মাই পূৰ্বৰ দুগৰাকীকৈ পত্নী থকা সত্ত্বেও দহ-এঘাৰ বছৰীয়া এগৰাকী কিশোৰীক বিয়া পতাৰ অপৰাধবোধৰ অনুশোচনা বাৰ্ধক্য-চেতনাৰে প্ৰকাশ। নাতিৰ বয়সীয়া নুমলীয়া পত্নীৰ লগত কটোৱা সাংসাৰিক জীৱনৰ মানসিক যন্ত্ৰণা আৰু আত্ম-অনুশোচনা বৃদ্ধ হৰকান্তৰ অৱচেতন মনৰে প্ৰকাশ।

> কেতিয়াবা ভাব হয়, কাঁড় পাখিও নগজা এই পাৰ চৰাই পোৱালিটো লৈ মই কি কৰিম ? কিয় মই বিয়া কৰালোঁ ? বিয়া কৰালোঁ নে কিনি আনিলোঁ ? দিনৰ দিনটো এযাৰো কথা মুখৰ পৰা নোলায়। আবেলি অকলে অকলে ফটাকানিৰ কইনা-দৰা খেলে।[৫]

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ বহুকেইখন বৃদ্ধ প্ৰসংগ থকা উপন্যাসত বৃদ্ধ চৰিত্ৰৰ আত্ম-অনুশোচনা প্ৰত্যক্ষ কৰা হৈছে। বাৰ্ধক্যত অৱদমিত মনত বাহ বন্ধা প্ৰেমজনিত স্খলন আৰু যৌন চেতনাই অনা মনৰ জটিলতা, আত্ম-অনুশোচনা চৈয়দ আব্দুল মালিকৰ *এটা সূৰ্য, দুখন নদী আৰু এখন*

৫। পূৰবী বৰমুদৈ, *ৰূপোৱালী নৈৰ সোণোৱালী ঘাট,* পৃ. ১২৫

*মৰুভূমি,* বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ *নষ্টচন্দ্ৰ* আৰু নিৰোদ চৌধুৰীৰ *স্তব্ধ বৃন্দাবন* উপন্যাসত দেখা যায়। *এটা সূৰ্য, দুখন নদী আৰু এখন মৰুভূমি* উপন্যাসত সংগীতৰ গুৰু বৃদ্ধ জাহাংগীৰ খাঁৰ প্ৰেমজনিত স্খলন, *নষ্টচন্দ্ৰ* উপন্যাসৰ বৃদ্ধ বিপুল দাসৰ তৰুণী পত্নীক বিয়া পতাৰ অনুশোচনা, নিৰোদ চৌধুৰীৰ *স্তব্ধ বৃন্দাবন* উপন্যাসৰ বৃদ্ধ নীলকমল দত্তৰ বিবাহযোগ্য তৰুণ পুত্ৰক বিয়া পাতি নিদি নিজে বাৰ্ধক্যত বিয়া পতাৰ অনুশোচনা উপন্যাসকেইখনত প্ৰত্যক্ষ কৰা হৈছে।

### ▪ যৌন অক্ষমতাৰ বাবে অহা অৱসাদ ঃ

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত দেখা আন এটি বৃদ্ধ-মনস্তাত্ত্বিক জটিলতাৰ দিশ হ'ল যৌন অক্ষমতাৰ বাবে অহা অৱসাদ। ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাৰ *বিষণ্ন অপৰাহ্ণ* উপন্যাসত সত্তৰ বছৰীয়া বৃদ্ধ প্ৰেম কুমাৰৰ যৌন অক্ষমতা আৰু অৱসাদে বাৰ্ধক্যত আত্ম-অনুশোচনা আৰু মনোদ্বন্দ্বৰ সৃষ্টি কৰিছে। বিশ্ববিদ্যালয়ৰ সন্মানীয় অধ্যাপক পদৰ এজন প্ৰতিপত্তিশালী লোকৰ চাৰিত্ৰিক স্খলন আৰু অপৰাধবোধৰ পৰিচয় উপন্যাসখনত ফুটি উঠিছে। বাৰ্ধক্যৰ শাৰীৰিক শক্তিৰ অৱনতিয়ে বৃদ্ধগৰাকীৰ মনলৈ অৱসাদ নমাই অনা উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। বিকৃত আৰু অৱদমিত মনৰ যৌন আকাংক্ষাই বাৰ্ধক্যত প্ৰেম কুমাৰৰ মনত জটিলতা আৰু অপৰাধপ্ৰৱণতাক গাঢ় কৰি তুলিছে। লক্ষ্মীনন্দন বৰাৰ *কায়কল্প* উপন্যাসত বিশ্ববিখ্যাত 'ভিভিয়ান ইণ্টাৰনেচনেল' বহুৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ আণৱিক জীৱবিদ্যা (Molecular Biology) শাখাৰ মুৰব্বী অধ্যাপক ড° অনুজ কৃপালিনীয়ে পুনঃযৌৱন লাভৰ আকাংক্ষাৰে 'কায়কল্প' ঔষধ প্ৰস্তুত কৰাৰ বৰ্ণনা পোৱা যায়। বাৰ্ধক্যৰ যৌন অক্ষমতাৰ বাবে অহা অৱসাদ আৰু বাৰ্ধক্যক প্ৰতিৰোধ কৰিবলৈ প্ৰত্যাহ্বান হিচাপে ড° কৃপালিনীয়ে 'কায়কল্প ২৫' ঔষধবিধ প্ৰস্তুত কৰি উলিওৱাৰ বৰ্ণনা উপন্যাসখনত পোৱা যায়। বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্গত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ *নষ্টচন্দ্ৰ,* নিৰোদ চৌধুৰীৰ *স্তব্ধ বৃন্দাবন* উপন্যাসত বৃদ্ধ চৰিত্ৰৰ যৌন অক্ষমতা আৰু অৱসাদৰ উল্লেখ পোৱা যায়। শীলভদ্ৰৰ *গধূলি* উপন্যাসত বনকৰা কিশোৰীক যৌন নিৰ্যাতন চলোৱা নিবাৰণ কুমাৰৰ ষাঠিবছৰীয়া বৃদ্ধ পিতৃৰ অপৰাধৰ মূল কাৰণ যৌন অক্ষমতাৰ বাবে অহা অৱসাদ।

■ **সন্তানৰ প্ৰতি স্নেহ ঃ**

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত দেখা পোৱা আন এটি দিশ হ'ল সন্তানৰ প্ৰতি স্নেহ। উচ্চ শিক্ষা আৰু উচ্চ আকাংক্ষাত প্ৰবাসী হোৱা সন্তানৰ ভৌগোলিক দূৰত্বই একক পৰিয়ালৰ বৃদ্ধ পিতৃ-মাতৃক নিঠৰুৱা কৰাৰ বৰ্ণনা কেইখনমান উপন্যাসত উল্লেখ পোৱা যায়। হোমেন বৰগোহাঞিৰ *এদিনৰ ডায়েৰী*, মণিকুন্তলা ভট্টাচাৰ্যৰ *বন্ধ ঘৰৰ খিৰিকী* আৰু জিতুমণি বৰাৰ *শেষ পৃষ্ঠা* উপন্যাসত সন্তানৰ ভৌগোলিক দূৰত্বই বৃদ্ধ পিতৃ-মাতৃৰ মানসিক জটিলতা বৃদ্ধি কৰাৰ একমাত্ৰ কাৰণ সন্তানৰ প্ৰতি থকা স্নেহ। সন্তোষ কুমাৰ কৰ্মকাৰৰ *অ' মোৰ আপোনাৰ দেশ* উপন্যাসত বৃদ্ধ লক্ষ্মীনাথ বেজবৰুৱাৰ অপত্য সন্তান স্নেহৰ পৰিচয় পোৱা যায়। জীয়াৰীহঁতৰ বিচ্ছেদত আকুল বেজবৰুৱাৰ চৰিত্ৰত পিতৃকামী গূঢ়ৈষাৰ (electra complex) প্ৰতিফলন উপন্যাসখনত দেখা যায়।

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্গত নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ*, হোমেন বৰগোহাঞিৰ *অস্তৰাগ*, শীলভদ্ৰৰ *অনুসন্ধান*, *তৰঙ্গিনী*, *অবিচ্ছিন্ন*, নিৰোদ চৌধুৰীৰ *কুঁৱলীৰ আখৰ* ইত্যাদি উপন্যাসত সন্তানৰ প্ৰতি থকা স্নেহেই বৃদ্ধ পিতৃ-মাতৃৰ মানসিক জটিলতাৰ কাৰণ হিচাপে ধৰা দিছে।

■ **জীৱনৰ অভিজ্ঞতালব্ধ বাস্তৱ সত্য ঃ**

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত প্ৰতিজন বৃদ্ধ লোকৰ জীৱনৰ অভিজ্ঞতাত দেখা দিয়া বাস্তৱ সত্যই মানসিক সমস্যাৰ কাৰক হৈ ধৰা দিছে। পোলেন বৰকটকীৰ *অৰণ্যৰ ৰ'দ, জোনাক আৰু এন্ধাৰ* উপন্যাসৰ বৃদ্ধ পিতৃৰ জীৱনৰ অভিজ্ঞতালব্ধ বাস্তৱ সত্যটো হ'ল— মানুহে সদায় নিজে নিজৰ মালিক হৈ থাকিব লাগে। অভ্যাসৰ দাস হৈ একঘেয়া জীৱন যাপন কেতিয়াও কৰিব নালাগে। *এদিনৰ ডায়েৰী* উপন্যাসত প্ৰকাশ পোৱা জীৱনৰ অভিজ্ঞতালব্ধ বাস্তৱ সত্যটো হ'ল— মানুহৰ সম্পৰ্কবোৰ স্থায়ী আৰু নিৰাপদ হোৱাৰ মূলতে ইজনে সিজনক ভুলকৈ বুজা। বাৰ্ধক্যই নতুন

অভিজ্ঞতাৰ আগ্ৰহ ক্ৰমাৎ কমাই অস্তিত্বৰ পৰিধি সংকোচিত কৰে।[৬] চিন্তা-চেতনা, অভিজ্ঞতা আৰু অন্তৰ্দৃষ্টিৰে জীৱনক চালিজাৰি চোৱা বৃদ্ধ বৰগোহাঞিয়ে উপন্যাসখনত বাৰ্ধক্য, মৃত্যু আৰু boredomৰ বিষয়ে জীৱনৰ অভিজ্ঞতালব্ধ বাস্তৱ সত্য প্ৰকাশ কৰিছে। মানুহে জীয়াই থাকিবলৈ শিকাৰ দৰে মৰিবলৈও শিকিব লাগে। মৃত্যুচিন্তাত ভীতিগ্ৰস্ত হোৱা লোক এক ধৰণৰ মানসিক ৰোগত আক্ৰান্ত আৰু এনে মানসিক ৰোগৰ পৰা হাত সাৰিবলৈ বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰ প্ৰয়োজন।[৭]

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পূৰ্বৱৰ্তী অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত জীৱনৰ অভিজ্ঞতালব্ধ বাস্তৱ সত্যৰ প্ৰতিফলন দৃষ্টিগোচৰ হৈছে। নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* উপন্যাসত ৰোগশয্যাত শয্যাশায়ী বৃদ্ধ বিজয় ভৰালীৰ জীৱনৰ অভিজ্ঞতালব্ধ বাস্তৱ সত্যটো হ'ল— তেওঁক পৰিচৰ্যা কৰা নাৰ্ছ গৰাকীৰ তাগিদা কেৱল টকাৰহে, অন্তৰৰ নহয়। হোমেন বৰগোহাঞিৰ *অস্তৰাগ* উপন্যাসত উচ্চশিক্ষিত সন্তানৰ পিতৃ-মাতৃ বাৰ্ধক্যত সদায় নিঃসংগতাৰ বেদনাত অসুখী হৈ পৰে— এই কথা বৃদ্ধ কালিৰাম পণ্ডিতে জীৱনৰ অভিজ্ঞতালব্ধ বাস্তৱ সত্যত উপলব্ধি কৰিছে। উপন্যাসখনৰ বৃদ্ধ ফুকন চৰিত্ৰত দৃষ্টিগোচৰ হোৱা বাস্তৱ সত্যটো হ'ল— বৃদ্ধ পিতৃ-মাতৃ থকা বিবাহ উপযুক্ত ল'ৰালৈ সাম্প্ৰতিক সময়ত অভিভাৱকে ছোৱালী বিয়া দিব নোখোজাৰ মানসিকতা। হোমেন বৰগোহাঞিৰ আন এখন উপন্যাস *পিতা-পুত্ৰ*ত নিঃসংগতাই ব্যক্তিজীৱনৰ আটাইতকৈ ডাঙৰ অভিশাপ বুলি বৃদ্ধ শিৱনাথে জীৱনৰ অভিজ্ঞতাত উপলব্ধি কৰিছে। শীলভদ্ৰৰ প্ৰায়কেইখন উপন্যাসত জীৱনৰ অভিজ্ঞতালব্ধ বাস্তৱ সত্য বৃদ্ধ চৰিত্ৰকেইটাৰ মাজেৰে প্ৰত্যক্ষ কৰা হৈছে।

### ▪ জীৱনপ্ৰীতি ঃ

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত জীৱনপ্ৰীতিৰ প্ৰতিফলন ঘটা দেখা যায়। হোমেন বৰগোহাঞিৰ *এদিনৰ ডায়েৰী* উপন্যাসত

---

৬। "বাৰ্ধক্য বা আহিব ধৰা বাৰ্ধক্যৰ এটা স্পষ্ট লক্ষণ হ'ল এইটো যে মানুহে নতুন অভিজ্ঞতাৰ প্ৰতি আগ্ৰহ হেৰুৱাই পেলায়, আৰু নিজৰ অস্তিস্তৰ পৰিধি ক্ৰমান্বয়ে সংকুচিত কৰি আনে।"

হোমেন বৰগোহাঞি, পূৰ্বোল্লিখিত, পৃ. ২০

৭। "মানুহে যেনেকৈ শৈশৱৰ কালতেই নিজকে যৌৱনৰ কাৰণে প্ৰস্তুত কৰিব লাগে, প্ৰেমৰ কাৰণে প্ৰস্তুত কৰিব লাগে, নিজৰ উচ্চাকাংক্ষা চৰিতাৰ্থ কৰিবৰ কাৰণে প্ৰস্তুত কৰিব লাগে— ঠিক তেনেকৈ প্ৰৌঢ়ত্বৰ আৰম্ভণিৰ লগে লগে মানুহে নিজকে মৃত্যুৰ কাৰণেও মানসিকভাৱে প্ৰস্তুত কৰিব লাগে।"

উল্লিখিত, পৃ. ২৭-২৮

জীৱন আৰু মৃত্যু একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি বুলি উল্লেখ কৰিছে। বৃদ্ধসকলে জীৱনক যেনেদৰে গ্ৰহণ কৰে মৃত্যুক তেনেদৰে গ্ৰহণ কৰিব নোখোজাৰ মূল কাৰণ জীৱনক হেৰুৱাব নোখোজে। উপন্যাসখনত জীৱনক প্ৰকৃততে ভাল পোৱাসকলে মৃত্যুক ইতিবাচক অন্তৰ্দৃষ্টিৰে চাবলৈ শিকিব লাগে বুলি উল্লেখ কৰিছে। "জীৱনৰ ভাটি বয়সৰ কোনোবা এটা সময়ৰ পৰা মানুহে সচেতনভাৱে মৃত্যুৰ কথা চিন্তা কৰি মৃত্যুৰ কাৰণে নিজকে প্ৰস্তুত কৰাটো নৈতিক সাহস আৰু দূৰদৰ্শিতাৰ লক্ষণ।"[৮] উপন্যাসখনত মৃত্যু মানুহৰ আৱিষ্কাৰ বুলি প্ৰকাশ কৰিছে। প্ৰতিজন লোকৰে বাৰ্ধক্যৰ ই এক ডাঙৰ সমস্যা আৰু মৃত্যুমুখী লোকৰ বিষণ্ণতা অতি মৰ্মস্পৰ্শী। যিসকলে আত্মাৰ অমৰত্বক বিশ্বাস কৰে সেইসকলে কেতিয়াও জীৱনক উদ্দেশ্যহীন বা অৰ্থহীন বুলি নাভাবে। তেনে লোকে জীৱনপ্ৰীতিৰে জীৱনক উপভোগ কৰিবলৈ শিকে আৰু বাৰ্ধক্য-জীৱনৰ পূৰ্বপ্ৰস্তুতিৰে মৃত্যুমুখী জীৱনক ন-কৈ উপলব্ধি কৰে।

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্গত নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ*, অৰুণ শৰ্মাৰ *উভলা শিপা*, হোমেন বৰগোহাঞিৰ *অস্তৰাগ* আৰু শীলভদ্ৰৰ *তৰঙ্গিনী*, *অবিচ্ছিন্ন* আৰু *গধূলি* উপন্যাসতো বৃদ্ধ চৰিত্ৰৰ জীৱনপ্ৰীতিৰ নিদৰ্শন পোৱা যায়।

- **কৰ্মহীন জীৱনৰ অৱসাদ ঃ**

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত কৰ্মহীন জীৱনৰ অৱসাদ প্ৰত্যক্ষ কৰা হৈছে। হোমেন বৰগোহাঞিৰ *এদিনৰ ডায়েৰী* উপন্যাসত বৃদ্ধ আদিত্য বৰুৱাই কৰ্মহীন জীৱনৰ অৱসাদক জীৱনৰ boredom বুলি ভাবিবলৈ লৈছে— "এজন মানুহে নিজকে যিমান bore কৰিব পাৰে, আন কোনেও সিমান নোৱাৰে।"[৯] কৰ্মহীন জীৱনৰ অৱসাদত সৃষ্টি হোৱা boredomয়েই জীৱনৰ আটাইতকৈ ডাঙৰ সমস্যা আৰু ইয়ে দুৰাৰোগ্য ব্যাধিৰ কাৰক হৈ পৰে বুলি উপন্যাসখনত উল্লেখ পোৱা যায়। এনে ব্যাধিয়ে বাৰ্ধক্যত মৃত্যুভয়ক জয় কৰিবলৈও সক্ষম হয়।[১০] বাৰ্ধক্যত

৮। উল্লিখিত, পৃ. ৪৫

৯। উল্লিখিত, পৃ. ৫৭

১০। "মানুহৰ যিমানেই বয়স বাঢ়ে সিমানেই বাঢ়ে boredom— কাৰণ তেওঁ জীৱনটো উপভোগ কৰিব নোৱৰা হয়, কাম কৰিবলৈ শক্তি নাথাকে, ভৱিষ্যতলৈ আশাৰ চকুৰে চাবলৈ একো নাথাকে। boredom কেতিয়াবা ইমান অসহনীয় হৈ পৰে যে তাক সহ্য কৰি থকাতকৈ মানুহে মৰি যাবলৈকে বেছি ভাল পায়।"
উল্লিখিত, পৃ. ৬৬

boredom সমস্যাৰ পৰা নিজকে মুক্ত কৰিবলৈ বাধ্যতামূলকভাৱে বৃদ্ধ আদিত্য বৰুৱাক এখন ডায়েৰী লিখিবলৈ উপন্যাসখনত হোমেন বৰগোহাঞিয়ে উপদেশ দিছে। বাৰ্ধক্যত কৰ্মব্যস্ততা বৃদ্ধি আৰু অৰ্থপূৰ্ণ জীৱনৰ প্ৰত্যাশাৰে boredomক নাশ কৰিবলৈ উপন্যাসখনত পৰামৰ্শ দিছে।

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্গত শীলভদ্ৰৰ *গধূলি* উপন্যাসত কৰ্মহীন জীৱনৰ অৱসাদ আঁতৰাবলৈ বৃদ্ধ ভূধৰ চৌধুৰীক অধ্যাপক জীয়াৰীয়ে আত্মজীৱনী লিখিবলৈ উপদেশ দিছে। বাৰ্ধক্যত কৰ্মহীন জীৱনৰ অৱসাদ হ্ৰাস কৰাৰ একমাত্ৰ উপায় কৰ্মব্যস্ততাৰে জীৱন অতিবাহিত কৰা। উপন্যাসখনত বৃদ্ধসকলক কৰ্মব্যস্ততাৰে জীৱন অতিবাহিত কৰিবলৈ পৰামৰ্শ দিব বিচাৰিছে।

■ **পৰনিৰ্ভশীল হোৱাৰ আশংকা ঃ**

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া উপন্যাসত বাৰ্ধক্যত পৰনিৰ্ভশীল আৰু আনৰ বোজা হ'ব লগাৰ আশংকা বৃদ্ধ চৰিত্ৰৰ মনৰ জটিলতাত ধৰা দিছে। সন্তোষ কুমাৰ কৰ্মকাৰৰ *অ' মোৰ আপোনাৰ দেশ* উপন্যাসত পুত্ৰহীন বেজবৰুৱা বাৰ্ধক্যত চিন্তিত হৈ পৰিছে। জীয়াৰীহঁতৰ সাংসাৰিক জীৱনত বোজা হৈ পৰাৰ সন্দেহত বেজবৰুৱা মানসিকভাৱে ভাগি পৰিছে। মণিকুন্তলা ভট্টাচাৰ্যৰ *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসত সন্তানে বোজা বুলি ভবাৰ ভয়ত বৃদ্ধ মাতৃ নিৰ্মলাই ঘৰ এৰি বৃদ্ধাশ্ৰমলৈ গতি কৰিছে। অনুৰাধা শৰ্মা পূজাৰীৰ *জলছবি* উপন্যাসত স্বাভিমানী বৃদ্ধা সুবৰ্ণজ্যোতিয়ে জী-জোঁৱাইৰ ঘৰত আত্মপৰিচয় হেৰুওৱাৰ আৰু পৰনিৰ্ভশীল হৈ পৰাৰ আশংকাত মানসিক যন্ত্ৰণা উপলব্ধি কৰিছে।

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্গত নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* উপন্যাসত বৃদ্ধ বিজয় ভৰালীয়েও পৰনিৰ্ভশীল হৈ পৰাৰ আশংকাত মানসিক অৱসাদক আঁকোৱালি লৈছে। হোমেন বৰগোহাঞিৰ *অস্তৰাগ* উপন্যাসত ফুকনে বাৰ্ধক্যজনিত শাৰীৰিক অসুস্থতাৰ পৰিচৰ্যা পাবলৈ পো-বোৱাৰী থকা চহৰৰ ঘৰখনলৈ আহি পাছলৈ পো-বোৱাৰীৰে বোজা হৈ পৰিব লগাৰ সংশয়ত গাঁৱৰ ঘৰখনলৈ ঘূৰি আহিবলৈ বাৰে বাৰে পুত্ৰক আব্দাৰ ধৰিছে। শীলভদ্ৰৰ *গধূলি* উপন্যাসত ভূধৰ চৌধুৰীয়ে ব্যক্তিকেন্দ্ৰিক অহমিকাৰ বাবে বাৰ্ধক্যত জী-জোঁৱাইৰ বোজা হ'বলৈ বিচৰা নাই।

## ▪ শাৰীৰিক অসুস্থতা ঃ

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া উপন্যাসত থকা বৃদ্ধসকলৰ শাৰীৰিক অসুস্থতাৰ সমস্যা বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্গত অসমীয়া উপন্যাসসমূহতো দৃষ্টিগোচৰ হৈছে। উপন্যাসসমূহত বিবিধ ৰোগ আৰু ৰোগৰ উপসৰ্গৰ বিৱৰণ পোৱা যায়। সন্তোষ কুমাৰ কৰ্মকাৰৰ *অ' মোৰ আপোনাৰ দেশ* উপন্যাসত ষাঠি-উৰ্ধ্বৰ প্ৰবাসী বেজবৰুৱাৰ শাৰীৰিক আৰু মানসিক অসুস্থতাৰ বৰ্ণনা পোৱা যায়। অতিৰিক্ত শাৰীৰিক পৰিশ্ৰম, বদহজম, পিত্তশূল আৰু 'ডিউডেনেল আলচাৰ' ৰোগত আক্ৰান্ত মৃত্যুমুখী বেজবৰুৱাৰ বৰ্ণনা হৃদয়স্পৰ্শী ৰূপত উপন্যাসখনত বৰ্ণনা কৰিছে। বাৰ্ধক্যজনিত শাৰীৰিক দুৰৱস্থাই মানসিক ৰূপ লোৱা আৰু শাৰীৰিক ৰোগৰ সমস্যাৰ বাবে চাকৰি পদত্যাগ কৰিব লগা বৃদ্ধ বেজবৰুৱাৰ মানসিক জটিলতাৰ চিত্ৰ উপন্যাসখনত ফুটাই তুলিছে। ভোলানাথ দাস, হেমচন্দ্ৰ গোস্বামী আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ বাৰ্ধক্যজনিত শাৰীৰিক অৱক্ষয় আৰু তেওঁলোকৰ বাৰ্ধক্যজনিত মৃত্যু দেখি বৃদ্ধ বেজবৰুৱা হতাশ হৈ পৰিছে।

> মইহে যাবলৈ ওলাইছিলোঁ। মোক এৰি তুমি আগবাঢ়িলা। এয়া ঈশ্বৰৰ কেনেকুৱা ইচ্ছা? তুমি গুচি যোৱাৰ খবৰ শুনি মোৰ আঙুলি অৱশ হৈ পৰিছে, ডিঙি শুকাই আহিছে, জিভা কৰ্কৰীয়া হৈ উঠিছে। এইটো অৱস্থাত প্ৰভুৱে মোৰ গাত বল দি মোক জীয়াই ৰাখিবনে?[১১]

মণিকুন্তলা ভট্টাচাৰ্যৰ *বন্ধ ঘৰৰ খিৰিকী* উপন্যাসখনত বৃদ্ধা নিৰ্মলাৰ জীৱনৰ ব্যৰ্থতা, মানসিক চাপৰ বাবে অন্যমনস্ক হৈ দুৰ্ঘটনাবশতঃ মৃত্যুমুখত পৰিছে। জিতুমণি বৰাৰ *শেষ পৃষ্ঠা* উপন্যাসত অৱসৰী শিক্ষক বৃন্দাবন শইকীয়াই হৃদৰোগজনিত চিভিআৰ কাৰ্ডিয়াক এৰেষ্ট আৰু অনুৰাধা শৰ্মা পূজাৰীৰ *জলছবি* উপন্যাসত একাশী বছৰীয়া স্বাভিমানী বৃদ্ধা সুৱৰ্ণজ্যোতিৰ Hypochondrical Delusion নামৰ মনোৰোগৰ উল্লেখ হৃদয়স্পৰ্শী ৰূপত দাঙি ধৰিছে। "সকলোৱে মোক লৈ ষড়যন্ত্ৰ কৰিছে, মই তোৰ বোজা হৈ আছোহি বাবে তোৰ খং দিনে দিনে বাঢ়িছে। মই কি কৰো, মই ক'লৈ যাম, যদি পাৰ পঠিয়াই দে ক'ৰবালৈ...।"[১২] বৃদ্ধা সুৱৰ্ণজ্যোতি এনে এগৰাকী মনোৰোগী, যি সকলো বুজে, জানে; কিন্তু সৰলভাৱে একো বিশ্বাস

১১। সন্তোষ কুমাৰ কৰ্মকাৰ, *অ' মোৰ আপোনাৰ দেশ*, পৃ. ৫৫২

১২। অনুৰাধা শৰ্মা পূজাৰী, *জলছবি*, পৃ. ৫১

নকৰে। বিশ্বাসী মানুহৰ ষড়যন্ত্ৰৰ বলি আৰু প্ৰতাৰিত হোৱাৰ বাবে আঘাত সহ্য কৰিব নোৱাৰি পাছলৈ মানসিক ৰোগত আক্ৰান্ত হৈ পৰিছে। দীৰ্ঘদিন ধৰি ডায়েবেটিছ বা অন্য ৰোগে শৰীৰৰ স্নায়ু আৰু মগজুৰ কোষ দুৰ্বল কৰাৰ ফলত শৰীৰ আৰু মনৰ সামঞ্জস্য হেৰুৱাই বৃদ্ধাগৰাকীয়ে সন্দেহপৰায়ণ বা সন্দেহ-বিভ্ৰান্তিত ( Paranoid Delusion) ভুগিছে।

পোলেন বৰকটকীৰ *অৰণ্যৰ ৰ'দ, জোনাক আৰু এন্ধাৰ* উপন্যাসত এগৰাকী নব্বৈবছৰীয়া বৃদ্ধই দৃষ্টিশক্তি হেৰুৱাই কেনে নিঃসহায় হৈ পৰিছে তাৰেই বৰ্ণনা উপন্যাসখনত পোৱা যায়। বাৰ্ধক্যজনিত মৃত্যুৰ ভয়ত বৃদ্ধগৰাকীৰ হৃদৰোগত মৃত্যু হৈছে।

■ **বাৰ্ধক্যত পৰিতৃপ্ত জীৱন ঃ**

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া উপন্যাসত বাৰ্ধক্যত পৰিতৃপ্ত জীৱনৰ উল্লেখ পোৱা যায়। এজন পঁয়সত্তৰ বছৰীয়া বৃদ্ধ লোকৰ বাৰ্ধক্যত পৰিতৃপ্ত জীৱন লাভ আৰু জীৱন উপভোগৰ ব্যতিক্ৰমী প্ৰচেষ্টা ধ্ৰুৱজ্যোতি বৰাৰ *কাহিনী* উপন্যাসত পৰিদৃষ্ট হৈছে।

বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অন্তৰ্গত অতুলানন্দ গোস্বামীৰ *নামঘৰীয়া* উপন্যাসত বৃদ্ধ নামঘৰীয়াই শাৰীৰিক আৰু মানসিক সবলতাৰে অকলশৰীয়া জীৱন যাপন কৰিছে। এজন নিঃস্বাৰ্থ, আত্মসন্তুষ্ট আৰু ইতিবাচক চিন্তা কৰা বৃদ্ধ লোকৰ পৰিচয় নামঘৰীয়া চৰিত্ৰত বিদ্যমান। তদুপৰি নিৰুপমা বৰগোহাঞিৰ *অভিযাত্ৰী* উপন্যাসৰ বৃদ্ধ মাতৃ গংগাপ্ৰিয়া আৰু চন্দ্ৰপ্ৰভা শইকীয়ানীৰ মানসিক সবলতাৰ চিত্ৰ কিছু পৰিমাণে উপন্যাসখনত প্ৰতিফলিত হৈছে।

**বিংশ আৰু একবিংশ শতিকাৰ বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ বৈসাদৃশ্য ঃ**

বিংশ শতিকাৰ নব্বৈৰ দশক (১৯৯১-২০১৫)ৰ পৰৱৰ্তী আৰু পূৰ্বৱৰ্তী (১৯৬১-১৯৯০) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখনত সাদৃশ্যৰ লগতে কেইটামান বৈসাদৃশ্যও পৰিলক্ষিত হৈছে। সেই বৈসাদৃশ্যকেইটা তলত উল্লেখ কৰা হ'ল—

■ **কালানুক্ৰমিক বয়সৰ সীমাৱদ্ধতা ঃ**

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) আৰু পূৰ্বৱৰ্তী (১৯৬১-১৯৯০) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখনত বৃদ্ধ লোকৰ কালানুক্ৰমিক বয়সৰ উল্লেখ পোৱা যায় যদিও বাৰ্ধক্যৰ কালানুক্ৰমিক বয়সৰ সীমাৱদ্ধতাৰ পাৰ্থক্য দেখা যায়।

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) সময়ৰ ধ্ৰুৱজ্যোতি বৰাৰ *কাহিনী* আৰু জিতুমণি বৰাৰ *শেষ পৃষ্ঠা*— দুয়োখন উপন্যাসৰে বৃদ্ধ চৰিত্ৰৰ বয়স পঁয়সত্তৰ বছৰ, পোলেন বৰকটকীৰ *অৰণ্যৰ ৰ'দ, জোনাক আৰু এন্ধাৰ* উপন্যাসখনৰ বৃদ্ধগৰাকীৰ বয়স একানব্বৈ, সন্তোষ কুমাৰ কৰ্মকাৰৰ *অ' মোৰ আপোনাৰ দেশ* উপন্যাসৰ বেজবৰুৱাৰ বয়স যাঠি-ঊৰ্ধ্বৰ আৰু অনুৰাধা শৰ্মা পূজাৰীৰ *জলছবি* উপন্যাসৰ সুৱৰ্ণজ্যোতিৰ বয়স একাশী বছৰ বুলি উপন্যাসকেইখনত উল্লেখ পোৱা যায়।

বিংশ শতিকাৰ নব্বৈৰ দশক (১৯৬১-১৯৯০)ৰ পূৰ্বৱৰ্তী অসমীয়া উপন্যাসতো কালানুক্ৰমিক বয়সৰ সীমাৱদ্ধতা পোৱা যায়। হোমেন বৰগোহাঞিৰ *পিতা-পুত্ৰ* উপন্যাসৰ আঠচল্লিশ বছৰীয়া শিৱনাথ, নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* আৰু অৰুণ শৰ্মাৰ *উভলা শিপা* উপন্যাসৰ সত্তৰ বছৰীয়া বিজয় ভৰালী আৰু আঘোণা, *অস্তৰাগ* উপন্যাসৰ তিৰাশী বছৰীয়া ফুকন, *অনুসন্ধান* উপন্যাসৰ সত্তৰ বছৰীয়া ভৃগু চৌধুৰীৰ উপৰি পঞ্চাশ, যাঠি, সত্তৰ বছৰৰ পৰা এশ সাত বছৰলৈকে বাৰ্ধক্যৰ কালানুক্ৰমিক বয়সৰ উল্লেখ থকা চৰিত্ৰ পোৱা যায়। *পিতা-পুত্ৰ* উপন্যাসৰ আঠচল্লিশ বছৰীয়া শিৱনাথক কালানুক্ৰমিক বয়সৰ হিচাপেৰে বৃদ্ধ বুলিব নোৱাৰি যদিও জীৱন-অভিজ্ঞতাৰে সমৃদ্ধ বা জ্ঞানৰ পৰিপক্কতাৰ বাবে বৃদ্ধ বুলি অভিহিত কৰিছে। সেই বিষয়ে গৱেষণা-গ্ৰন্থৰ তৃতীয় অধ্যায়ত শিৱনাথ চৰিত্ৰক বৃদ্ধ বোলাৰ যুক্তি দৰ্শোৱা হৈছে। পুৰুষতান্ত্ৰিক সমাজত শিক্ষাৰ পোহৰ নোপোৱা বৃদ্ধ নাৰীৰ কঠোৰ শাৰীৰিক পৰিশ্ৰম, স্বাস্থ্যৰ প্ৰতি অসচেতনতা আৰু জৈৱিক ক্ষয়-বৃদ্ধিৰ বাবে পুৰুষতকৈ আগতীয়াকৈ বৃদ্ধ হোৱাৰ চিত্ৰ নিৰুপমা বৰগোহাঞিৰ *অন্য জীৱন* উপন্যাসখনত অংকন কৰিছে।

■ **বৃদ্ধ পুৰুষ আৰু নাৰীৰ নিঃসংগতাৰ বেদনা ঃ**

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) আৰু পূৰ্বৱৰ্তী (১৯৬১-১৯৯০)

অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ নাৰীৰ নিঃসংগতাৰ বেদনাৰ বৈসাদৃশ্য দেখা যায়। বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) অসমীয়া উপন্যাসত বৃদ্ধ নাৰীৰ নিঃসংগতাৰ বেদনাৰ সন্দৰ্ভত অধিক গুৰুত্ব দিয়া হৈছে। *বাঘজাল বাঘশাল আৰু মানুহ, ৰূপোৱালী নৈৰ সোণোৱালী ঘাট, বন্ধ ঘৰৰ খিৰিকী, জলছবি* উপন্যাসত বৃদ্ধ নাৰীৰ নিঃসংগতাৰ মনোবেদনা হৃদয়স্পৰ্শী ৰূপত বৰ্ণিত হৈছে।

বিংশ শতিকাৰ নব্বৈৰ দশক (১৯৬১-১৯৯০)ৰ পূৰ্বৱৰ্তী বৃদ্ধ-মনস্তত্ত্বমূলক অসমীয়া উপন্যাসত বৃদ্ধ পুৰুষৰ নিঃসংগতাৰ বেদনা ঔপন্যাসিকে অধিক গুৰুত্বসহকাৰে উপস্থাপন কৰিছে। এইক্ষেত্ৰত *এজন বুঢ়া মানুহ, উভলা শিপা, অস্তৰাগ* আৰু শীলভদ্ৰৰ প্ৰায়কেইখন বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ পুৰুষ চৰিত্ৰৰ মানসিক নিঃসংগতাৰ বেদনা স্পষ্ট ৰূপত প্ৰতিফলিত হোৱা দেখা যায়। ঔপন্যাসিক নিৰুপমা বৰগোহাঞিয়ে *এজন বুঢ়া মানুহ* উপন্যাসখনত বৃদ্ধ পুৰুষৰ নিঃসংগতাৰ বেদনা বৃদ্ধ নাৰীতকৈ বেছি বুলি উল্লেখ কৰিছে। তেওঁৰ *অন্তঃস্ৰোতা, অন্য জীৱন* আৰু *অভিযাত্ৰী* উপন্যাসত বৃদ্ধ নাৰীৰ মানসিক নিঃসংগতা সন্দৰ্ভত আলোকপাত কৰিছে যদিও মনস্তাত্ত্বিক দিশতকৈ নাৰী-মনস্তত্ত্বৰ দিশতহে অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। নৱকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়* উপন্যাসখনত এগৰাকী আইতাৰ নিঃসংগতাৰ বেদনা প্ৰকাশ পাইছে যদিও সেয়া সিমান স্পষ্ট হোৱা নাই।

উপন্যাসসমূহৰ পৰা এই কথা প্ৰতীয়মান হয় যে নাৰী পুৰুষতকৈ মানসিকভাৱে বেছি সবল। সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে বৃদ্ধ নাৰীৰ মানসিক অন্তৰ্দ্বন্দ্ব বৃদ্ধ পুৰুষতকৈ বেছি। কিন্তু নাৰীমনৰ সবলতাৰ বাবে বৃদ্ধ নাৰীৰ নিঃসংগতাৰ বেদনা আনে অনুভৱ কৰিব নোৱাৰে। পৰিয়াল আৰু সন্তানৰ লগত পূৰ্বৰ সময়ছোৱাত ওতপ্ৰোতভাৱে কটোৱাৰ বাবে স্বামীহাৰা বিধৱা নাৰীয়ে বাৰ্ধক্যত সন্তানৰ বিচ্ছেদত বেছিকৈ নিঃসংগতাৰ বেদনা অনুভৱ কৰে।

■ **একক পৰিয়ালৰ প্ৰাধান্য ঃ**

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) আৰু পূৰ্বৱৰ্তী (১৯৬১-১৯৯০) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত একক পৰিয়ালৰ প্ৰাধান্য বেছিকৈ দেখা পোৱা যায় যদিও নব্বৈৰ

দশকৰ পূৰ্বৰৰ্তী উপন্যাসত যৌথ পৰিয়ালৰ চিত্ৰ কোনো কোনো উপন্যাসত প্ৰত্যক্ষ কৰা হৈছে।

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) উপন্যাসত চাকৰিজীৱী পুৰুষ-নাৰীৰ কৰ্মব্যস্ততা, ভোগবাদী জীৱনৰ উচ্চ আকাংক্ষা, পৰিয়ালকেন্দ্ৰিক সংঘাত আৰু অত্যাধুনিক নগৰীয়া জীৱনে একক পৰিয়ালত থকা বৃদ্ধসকলৰ মানসিক জটিলতা বৃদ্ধি কৰিছে। অনুৰাধা শৰ্মাৰ *জলছবি*, মণিকুন্তলা ভট্টাচাৰ্যৰ *বন্ধ ঘৰৰ খিৰিকী* আৰু জিতুমণি বৰাৰ *শেষ পৃষ্ঠা* উপন্যাসত পৰিয়ালৰ অৱজ্ঞা আৰু বৃদ্ধসকলৰ মনৰ ভ্ৰান্ত ধাৰণাই বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টি কৰাত অৰিহণা যোগাইছে। সাম্প্ৰতিক সময়ত শিক্ষাৰ অগ্ৰগতি, আৰ্থিকভাৱে সচ্ছলতা, স্বাধীন চিন্তাক প্ৰাধান্য দিয়া একাংশ বৃদ্ধ লোকে একক পৰিয়ালত সন্তানৰ লগত মতদ্বৈধতাৰে জীৱন অতিবাহিত কৰিবলৈ প্ৰস্তুত নহয়। *বন্ধ ঘৰৰ খিৰিকী, শেষ পৃষ্ঠা* আদি উপন্যাসত নিঃসংগ জীৱনৰ পৰিত্ৰাণ বিচাৰি বৃদ্ধ চৰিত্ৰকেইটাই বৃদ্ধাশ্ৰমমুখী হোৱা আৰু নতুন জীৱনৰ সন্ধান কৰা পৰিলক্ষিত হৈছে।

বিংশ শতিকাৰ পূৰ্বৱৰ্তী (১৯৬১-১৯৯০) উপন্যাসত যৌথ পৰিয়ালৰ ভাঙোনে অনা একক পৰিয়ালত বৃদ্ধ লোকৰ মানসিক অৱসাদ ফুটি উঠিছে। অৰুণ শৰ্মাৰ *উভলা শিপা* উপন্যাসত যৌথ পৰিয়ালৰ ভাঙোনেই বৃদ্ধ আঘোণাৰ মনৰ জটিলতাৰ প্ৰধান কাৰণ। তাৰ বিপৰীতে *এজন বুঢ়া মানুহ, অস্তৰাগ, অনুসন্ধান* উপন্যাসত পো-বোৱাৰীৰ মৰম-আদৰ-যত্নত দিন অতিবাহিত কৰা বৃদ্ধ চৰিত্ৰকেইটিৰ প্ৰতিচ্ছবি দেখা যায়। উপন্যাসকেইখনৰ প্ৰতিজন বৃদ্ধই নিজৰ মনত পুহি ৰখা ভ্ৰান্ত ধাৰণাৰে মনলৈ জটিলতা আনিছে। বৃদ্ধ চৰিত্ৰৰ আঁকোৰগোজ স্বভাৱ, পৰিৱেশৰ লগত মিলিব নোখোজা আৰু মনৰ বদ্ধমূল ধাৰণাই বৃদ্ধসকলক অসুখী কৰি তুলিছে। সেই সময়ছোৱাত বৃদ্ধ পিতৃ-মাতৃ পো-বোৱাৰীৰ লগত থকাৰ বিকল্প ব্যৱস্থা নাছিল। সেইবাবে কোনো প্ৰতিবাদ নকৰি ভাবুক স্বভাৱ আৰু অশান্তিৰে বাৰ্ধক্য-জীৱন অতিবাহিত কৰিছে।

- **মানসিক সুখৰ প্ৰাধান্য ঃ**

বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) আৰু পূৰ্বৱৰ্তী (১৯৬১-১৯৯০) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখনত মানসিক সুখৰ ধাৰণা সলনি হোৱা দৃষ্টিগোচৰ হৈছে।

বিংশ শতিকাৰ নৱৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) সময়ৰ ধ্ৰুৱজ্যোতি বৰাৰ *কাহিনী* উপন্যাসত পঁয়সত্তৰ বছৰীয়া বৃদ্ধ ককা চৰিত্ৰই নিজৰ মানসিক সুখৰ সন্ধান বিচাৰিবলৈ চেষ্টা কৰিছে। একেটা কম্পাউণ্ডতে থকা যৌথ পৰিয়ালটোৰ মুৰব্বী বৃদ্ধ ককাই সকলোকে স্বাধীন মনেৰে থাকিবলৈ সুবিধা কৰি দিয়াৰ লগতে নিজেও নিজৰ খেয়াল-খুচি মতে বাৰ্ধক্যত সুখী হোৱাৰ মন্ত্ৰ আওৰাইছে। পৰিৱেশ-পৰিস্থিতিত কৌশলেৰে চলিব জনা বৃদ্ধ ককাই মানসিক সুখৰ সন্ধান বিচাৰি মেডিকেল চেক-আপৰ নামত নাতিয়েকক লগত লৈ দিল্লীলৈ ফুৰিবলৈ গৈছে। বিলাতী সুৰাৰ সোৱাদ লৈ বন্ধ কোঠাত পৰ্ন চিডি চোৱা, কলিকতা-দিল্লীলৈ মেডিকেল চেক-আপত গৈ ফাইভ ষ্টাৰ হোটেলত ডিস্ক' থেকলৈ যোৱা আৰু তাৰ বাবে উপযুক্ত ফেশ্বন চ্যুট কিনি পিন্ধা এগৰাকী বৃদ্ধৰ বাৰ্ধক্য উপভোগৰ চিত্ৰ উপন্যাসখনত পোৱা যায়। বিচিত্ৰ মনৰ অধিকাৰী, ৰহস্যময়ী আৰু মানসিক সুখক প্ৰাধান্য দিয়া এইগৰাকী ব্যতিক্ৰমী বৃদ্ধৰ মনস্তাত্ত্বিক দিশৰ প্ৰতিফলন উপন্যাসখনত ধৰা দিছে। "গুলি মাৰ তোৰ চেক্-আপ। মোৰ স্বাস্থ্য এতিয়া যিমান ঠিকে আছে সিমান কেতিয়াও নাছিল। আই এম ফিলিং ফাইন। অৱশ্যে তোৰ ব্লাডটো চেক্-আপ কৰাই ল'ব পাৰি— এইড্ছৰ বাবে।"[১৩] আনে সুখ দিব বুলি ভবা সাধাৰণ বৃদ্ধসকলৰ পৰিৱৰ্তে জীৱনক সময়ৰ সোঁতত চলাই নিব জনা বৃদ্ধ ককা চৰিত্ৰত গভীৰ অধ্যয়ন আৰু জ্ঞান পৰিপুষ্টতাৰ পৰিচয় পোৱা যায়।

বিংশ শতিকাৰ নৱৈৰ দশক (১৯৬১-১৯৯০)ৰ পূৰ্বৱৰ্তী অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ চৰিত্ৰৰ নিৰাশা, হতাশা, অৱসাদ, অসুখী অৱস্থা, অসন্তুষ্টি, মানসিক দুৰ্বলতাৰ স্বৰূপ প্ৰায়কেইখন অসমীয়া উপন্যাসত প্ৰতিফলিত হৈছে।

■ **বিজ্ঞান, তথ্য-প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ ঃ**

বিংশ শতিকাৰ নৱৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) আৰু পূৰ্বৱৰ্তী অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ লোকৰ নিঃসংগতাৰ বেদনা দূৰীকৰণৰ বাবে প্ৰয়োগ হোৱা বিজ্ঞান, তথ্য-প্ৰযুক্তিবিদ্যাৰ ভূমিকা সমানে গুৰুত্বপূৰ্ণ নহয়।

---

১৩। ধ্ৰুৱজ্যোতি বৰা, *কাহিনী*, পৃ. ৫১

বিংশ শতিকাৰ নৱৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) উপন্যাসৰ ভিতৰত মণিকুন্তলা ভট্টাচাৰ্য্যৰ *বন্ধ ঘৰৰ খিৰিকী*, জিতুমণি বৰাৰ *শেষ পৃষ্ঠা* আৰু ৰেখা বৰগোহাঁইৰ *আবেলি বেলিৰ বেদনা* উপন্যাসত বৃদ্ধ লোকৰ বিবিধ সমস্যাৰ বিষয়ে থকা আলোচনাৰ বৰ্ণনা পোৱা যায়। ৰেডিঅ, টিভি, ম'বাইলৰ যোগেদি মনোৰঞ্জনৰ দিয়া, বৃদ্ধাশ্ৰমকেন্দ্ৰিক জীৱনত উৎসৱ-অনুষ্ঠান পতাৰ উল্লেখ উপন্যাসখনত পোৱা যায়। বিজ্ঞান, তথ্য-প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱত বৃদ্ধ লোকৰ বাহ্যিক নিঃসংগতা পূৰ্বতকৈ কিছু হ্ৰাস পাইছে যদিও মানসিক আৰু আত্মিক নিঃসংগতাৰ বেদনা পূৰ্বতকৈ কিন্তু বৃদ্ধি পোৱাহে উপন্যাসকেইখনত পৰিলক্ষিত হৈছে। *বাঘশাল বাঘজাল আৰু মানুহ, বন্ধ ঘৰৰ খিৰিকী, অৰণ্যৰ ৰ'দ, জোনাক আৰু আন্ধাৰ* আৰু *শেষ পৃষ্ঠা* উপন্যাসত পৰিয়ালত থকা আন সদস্যৰ লগত বৃদ্ধ চৰিত্ৰৰ মানসিক আৰু আত্মিক ব্যৱধান বৃদ্ধি পোৱা দেখা গৈছে। লক্ষ্মীনন্দন বৰাৰ *কায়কল্প* উপন্যাসত বিজ্ঞানৰ আৱিষ্কাৰত পুনৰ্যৌৱন ঘূৰাই পোৱা সুখৰ ধাৰণাৰ উল্লেখ পোৱা যায়। যৌৱনক বিলম্বন কৰিবলৈ 'কায়কল্প ২৫' ঔষধবিধ প্ৰস্তুত কৰি সুখী হ'ব বিচৰা বৃদ্ধ নায়কৰ মনোভাব উপন্যাসখনত দৃষ্টিগোচৰ হৈছে। ধ্ৰুৱজ্যোতি বৰাৰ *কাহিনী* উপন্যাসত যৌৱনক ধৰি ৰখাৰ এক কৃত্ৰিম প্ৰচেষ্টা 'এফ্ৰডিয়াচিক'ৰ উল্লেখ পোৱা যায়। এনে তথ্যৰ দ্বাৰা বিজ্ঞান, তথ্য-প্ৰযুক্তিয়ে আধুনিক বৃদ্ধ লোকৰ জীৱনলৈ বাহ্যিক সুখৰ ধাৰণা অনা পৰিলক্ষিত হৈছে।

বিংশ শতিকাৰ নৱৈৰ দশক (১৯৬১-১৯৯০)ৰ পূৰ্বৱৰ্তী বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ লগত জড়িত যান্ত্ৰিক মাধ্যমৰ প্ৰতি বৃদ্ধ চৰিত্ৰৰ আকৰ্ষণ তেনেকৈ দেখা নাযায়। পৰিয়ালকেন্দ্ৰিক জীৱনত পো-বোৱাৰী-নাতি, ভাই-ভতিজাৰ লগত সুসম্পৰ্ক বজাই ৰখাৰ চিত্ৰ উপন্যাসসমূহত প্ৰতিফলিত হৈছে। প্ৰজন্ম আৰু আদৰ্শৰ সংঘাত অহা বৃদ্ধ চৰিত্ৰই মানৱীয় সম্পৰ্ক আৰু সামাজিক চেতনাৰ ওপৰত গুৰুত্ব দিয়াটো উপন্যাসকেইখনে স্পষ্ট কৰিছে।

গতিকে বিংশ শতিকাৰ নৱৈৰ দশকৰ পৰৱৰ্তী (১৯৯১-২০১৫) আৰু পূৰ্বৱৰ্তী (১৯৬১-১৯৯০) অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত সাদৃশ্য আৰু বৈসাদৃশ্য পৰিদৃষ্ট হৈছে।

### ৪.১ অন্যান্য ভাষাৰ সাহিত্য আৰু অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ এক সংক্ষিপ্ত তুলনামূলক খতিয়ান ঃ

অসমীয়া উপন্যাস-সাহিত্যলৈ পাশ্চাত্য আৰু অন্যান্য ভাষাৰ সাহিত্যৰ অৱদান উল্লেখযোগ্য।

অন্যান্য ভাষাৰ সাহিত্যৰ পটভূমিৰ অনুকৰণত বৃদ্ধ-মনস্তত্ত্ব বিষয়টোৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। বৃদ্ধ-মনস্তত্ত্ব বিষয়টোৰ আৰম্ভণি অন্যান্য ভাষাৰ সাহিত্য ক্ষেত্ৰলৈ বহু আগতেই আগমণ ঘটিছে। অসমীয়া সাহিত্যত বৃদ্ধ-মনস্তত্ত্বৰ প্ৰভাৱ অন্যান্য ভাষাৰ সাহিত্যৰ অনুকৰণতহে আহিছে। তদুপৰি সমাজিক-পাৰিবাৰিক ব্যৱস্থাৰ পৰিৱৰ্তনত অন্যান্য ভাষাৰ সাহিত্যৰ লগত অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক কথাসাহিত্যৰ বৈসাদৃশ্য নথকা নহয়। অন্যান্য ভাষাৰ সাহিত্যৰ পটভূমিত সৃষ্টি হোৱা অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ নিদৰ্শন অসমীয়া বহুকেইখন উপন্যাসত প্ৰত্যক্ষ কৰা হৈছে। অন্যান্য ভাষাৰ সাহিত্যত বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ প্ৰভাৱ একাংশ প্ৰতিষ্ঠিত অসমীয়া ঔপন্যাসিকৰ সৃষ্টিশীল দক্ষতা আৰু সফল উপন্যাসে প্ৰমাণ দিয়ে। অসমীয়া আৰু অন্যান্য ভাষাৰ বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ মূল্যায়ন কৰিবলৈ এক সংক্ষিপ্ত তুলনামূলক খতিয়ান দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল। খতিয়ানৰ বাবে তুলনালৈ অনা অন্যান্য ভাষাৰ উপন্যাসকেইখন ক্ৰমে— ইংৰাজী সাহিত্যৰ আৰ্নেষ্ট হেমিংৱেৰ *দ্য অ'ল্ড মেন এণ্ড দ্য ছী* (১৯৫২); বাংলা সাহিত্যৰ বলাইচন্দ মুখোপাধ্যায়ৰ (বনফুল) *অগ্নীশ্বৰ* (১৯৫৯), আশাপূৰ্ণা দেৱীৰ *প্ৰথম প্ৰতিশ্ৰুতি* (১৯৬২), অমৰেশ দত্তৰ *বানপ্ৰস্থ* (২০০৮); হিন্দী সাহিত্যৰ নিৰ্মল বৰ্মাৰ *অন্তিম অৰণ্য* (১৯৯০), মমতা কালিয়াৰ *দৌড়* (২০০০), কৃষ্ণা সৌবতীৰ *সময় সৰগম* (২০০০) উল্লেখযোগ্য। অন্যান্য ভাষাৰ সাহিত্যত থকা বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসসমূহৰ ভিতৰত ইংৰাজী সাহিত্যৰ এখন, বাংলা আৰু হিন্দী সাহিত্যৰ তিনিখনকৈ উপন্যাস গৱেষণাৰ পৰিসীমাত সীমাৱদ্ধ কৰা হৈছে। ইংৰাজী সাহিত্যৰ মাথোন এখন উপন্যাস খতিয়ানৰ আওতালৈ অনাৰ কাৰণ ইয়াৰ পৰিসৰ ইমান ব্যাপক যে প্ৰতিনিধিত্বসূচকৰূপে কেৱল এখন বিখ্যাত উপন্যাসহে আলোচনালৈ অনা হ'ল।

### ▪ ইংৰাজী সাহিত্য ঃ

ইংৰাজী সাহিত্যত আৰ্নেষ্ট হেমিংৱেৰ *দ্য অ'ল্ড মেন এণ্ড দ্য ছী* শীৰ্ষক বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসখনে ১৯৫৪ চনত ন'বেল বঁটা লাভ কৰিবলৈ সক্ষম হয়। *দ্য অ'ল্ড মেন এণ্ড দ্য ছী* উপন্যাসখনৰ লগত অসমীয়া সাহিত্যৰ এগৰাকী প্ৰতিষ্ঠিত ঔপন্যাসিক দেৱেন্দ্ৰনাথ আচাৰ্যৰ *অন্য যুগ অন্য পুৰুষ* উপন্যাসখনৰ সাদৃশ্য দেখা যায়। *দ্য অ'ল্ড মেন এণ্ড দ্য ছী* উপন্যাসৰ আশীবছৰীয়া বৃদ্ধ ছাণ্টিয়াগোৰ দৰে *অন্য যুগ অন্য পুৰুষ* উপন্যাসৰ সত্তৰ বছৰীয়া বেলেষ্টাৰ অকলশৰীয়া এজন বৃদ্ধ। বাৰ্ধক্যৰ শাৰীৰিক

অৰক্ষয়ৰ বাবে নিঃসংগতাৰ বেদনা মনলৈ অহা ছাণ্টিয়াগোৰ দৰে বৃদ্ধ বেলেষ্টাৰৰ বাৰ্ধক্যত শ্ৰৱণশক্তি আৰু দৃষ্টিশক্তি হ্ৰাস পাই দৈনন্দিন জীৱনযাত্ৰা জটিল হৈ পৰিছে। বৃদ্ধ ছাণ্টিয়াগোৱে সাগৰযাত্ৰাত জীৱনৰ চৌৰাশীটা দিন মাছ মাৰিবলৈ যোৱাৰ অসীম ধৈৰ্য, ৰাগী, সাহস আৰু মনোবলৰ পৰিচয় ইংৰাজী উপন্যাসখনত পোৱা যায়। অসমীয়া উপন্যাসখনত জীৱনৰ বেছিভাগ সময় বৰশী বাই অতিবাহিত কৰা বৃদ্ধ বেলেষ্টাৰ বাৰ্ধক্যত বৰশী বাবলৈ যাব নোৱাৰি হতাশ হৈ পৰিছে। ছাণ্টিয়াগো আৰু বেলেষ্টাৰ দুয়োগৰাকী বৃদ্ধৰ মাছ মৰাৰ অভিজ্ঞতা, মাছ ধৰিবলৈ চোপ লৈ মাছৰ কথা ভবা, মাছৰ লগত কথা পতা আদি বহু দিশৰ সাদৃশ্য উপন্যাস দুখনত পোৱা যায়।

*দ্য অ'ল্ড মেন এণ্ড দ্য ছী* আৰু *অন্য যুগ অন্য পুৰুষ* উপন্যাস দুখনৰ মাজত বৈসাদৃশ্যও দুই-এঠাইত দেখা যায়। ছাণ্টিয়াগোৰ দৰে বেলেষ্টাৰ কিন্তু কৰ্মী আৰু সাহসী নহয়। বেলেষ্টাৰৰ চৰিত্ৰত কাপুৰুষ, এলেহুৱা আৰু কেৱল বৰশী বাই জীৱন অতিবাহিত কৰা এগৰাকী পৰনিৰ্ভৰশীল বৃদ্ধৰ বৰ্ণনা পোৱা যায়। ছাণ্টিয়াগোৱে বাৰ্ধক্যৰ শাৰীৰিক অৰক্ষয় সত্বেও মনৰ অদম্য শক্তিৰে সাগৰীয় মাছৰ লগত সংঘাত অব্যাহত ৰাখিছে। ইংৰাজী উপন্যাসখনৰ এনে দিশে জীৱনৰ প্ৰত্যাশাৰ দিশ প্ৰতিফলন কৰিছে। পৰাজয়ৰ মাজতো জয়ৰ সন্ধান পোৱা এজন বৃদ্ধৰ মানসিক ইচ্ছাশক্তিৰ সবলতা, আত্মবিশ্বাস, প্ৰকৃতিপ্ৰেমৰ পৰিচয় ছাণ্টিয়াগো চৰিত্ৰত দেখা যায়। ছাণ্টিয়াগো চৰিত্ৰৰ জৰিয়তে বিশ্বৰ যিকোনো অঞ্চলৰ এজন বৃদ্ধ লোকৰ মনৰ সবলতাক ঔপন্যাসিকে উপন্যাসখনত তুলি ধৰিছে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে মহিম বৰাৰ 'মাছ আৰু মানুহ' নামৰ গল্পটোত মৎস্য চিকাৰৰ একে ৰোমাঞ্চকৰ বৰ্ণনা আৰু পৰিৱেশ আছে। অৱশ্যে দেৱেন্দ্ৰনাথ আচাৰ্যৰ *অন্য যুগ অন্য পুৰুষ* অথবা আন অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত এনে চিত্ৰ পোৱা নাযায়। সেইবাবে ইংৰাজী সাহিত্যৰ আৰ্নেষ্ট হেমিংৱেৰ *দ্য অ'ল্ড মেন এণ্ড দ্য ছী* বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসখন এখন সফল উপন্যাস।

- **বাংলা সাহিত্য ঃ**

পাশ্চাত্য তথা ইংৰাজী সাহিত্যৰ বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ দৰে বাংলা কথাসাহিত্যতো বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসে এক বিশেষ স্থান দখল কৰি আছে। বাংলা সাহিত্যত বিভিন্ন গল্পত বৃদ্ধ-মনস্তত্ত্বৰ প্ৰভাৱ দেখা যায়। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ 'জলসাঘৰ', ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ঠাকুৰদা' গল্পত

বৃদ্ধ-মনস্তত্ত্বৰ প্ৰতিফলন ঘটিছে। বাংলা সাহিত্যৰ এজন প্ৰতিষ্ঠিত লেখক বলাইচন্দ মুখোপাধ্যায়ৰ (বনফুল) *অগ্নীশ্বৰ* বৃদ্ধ লোকৰ জীৱনসম্বলিত এখন উপন্যাস। উপন্যাসখনৰ লগত অসমীয়া সাহিত্যৰ তৰুণ লেখক জিতুমণি বৰাৰ *শেষ পৃষ্ঠা* উপন্যাসৰ কিছু সাদৃশ্য পোৱা যায়।

বাংলা উপন্যাসখনত বৃদ্ধ অগ্নীশ্বৰ মুখোপাধ্যায় পেছাত এজন সৎ আৰু আদৰ্শৱান চিকিৎসক। চিকিৎসক হৈও সাধাৰণ জীৱন যাপন কৰা অগ্নীশ্বৰে পত্নীৰ মৃত্যুৰ পাছৰে পৰা অকলশৰীয়া আৰু নিঃসংগ জীৱন অতিবাহিত কৰিছে। পুত্ৰৰ সৈতে থকা প্ৰজন্মৰ ব্যৱধান, আদৰ্শ আৰু মূল্যবোধৰ সংঘাতে বৃদ্ধ অগ্নীশ্বৰৰ মনলৈ জটিলতা আনিছে। আদৰ্শনিষ্ঠাৰে গোটেই জীৱন অতিবাহিত কৰা অগ্নীশ্বৰে বাৰ্ধক্যত আদৰ্শভ্ৰষ্ট পুত্ৰক লৈ মূল্যবোধৰ সংঘাতত ভুগিছে। শহুৰেকৰ পৰা যৌতুক ল'ব বিচৰা পুত্ৰৰ স্বভাৱত বিতুষ্ট আত্মাভিমানী অগ্নীশ্বৰে অৱসৰৰ পেন্সনৰ বেছি অংশ পুত্ৰক দিবলৈকো কুণ্ঠাবোধ কৰা নাই। পো-বোৱাৰীয়েকে সৰু অকণমানি ঘৰখনত অগ্নীশ্বৰৰ সৈতে থাকিবলৈ অশান্তি পোৱা বুলি তেওঁ মনতে এক ভ্ৰান্ত ধাৰণা পুহি ৰাখে। অৱশেষত মুক্ত আৰু অকলশৰীয়া স্বাধীন জীৱন যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণেৰে বৃদ্ধ অগ্নীশ্বৰে গৃহত্যাগ কৰে— “আমি তোমাদের মুক্তি দিয়ে গেলুম, নিজকেও মুক্ত করলুম। তোমাদের সঙ্গে বাস করতে হলে যে অনভ্যস্ত সংযমের কারাগারে বন্দী হয়ে থাকতে হবে সে কারাগারে বাস করা এ বয়সে আমার পক্ষে অসম্ভব।”[১৪] অসমীয়া সাহিত্যত জিতুমণি বৰাৰ *শেষ পৃষ্ঠা* উপন্যাসখনত বৃন্দাবন শইকীয়াই চিকিৎসকৰ আদৰ্শভ্ৰষ্টতাৰ বাবে পত্নীক অকালতে হেৰুৱায়। পত্নীবিয়োগৰ মানসিক বেদনাত একমাত্ৰ পুত্ৰ সুদীপ্তক আদৰ্শৱান চিকিৎসক কৰিবলৈ শইকীয়াই মনে-প্ৰাণে বিচাৰে। কিন্তু পুত্ৰক ‘সঁচা অৰ্থত এজন চিকিৎসক’ কৰিবলৈ বিচৰা বৃন্দাবন শইকীয়াই পাছলৈ ডাক্তৰ পো-বোৱাৰীৰ বিবেকহীন আৰু আদৰ্শভ্ৰষ্ট কাৰ্য দেখি স্তম্ভিত হৈ পৰে। ভোগবাদী যান্ত্ৰিক নগৰীয়া জীৱনত টকা-পইচাক সৰ্বস্ব বুলি ভবা ডাক্তৰ পো-বোৱাৰীয়ে একমাত্ৰ সন্তানক লৈও সংবেদনশীল নোহোৱাত পঁয়সত্তৰ বছৰীয়া বৃন্দাবন শইকীয়া মানসিকভাৱে ভাগি পৰে। পো-বোৱাৰীৰ আদৰ্শভ্ৰষ্ট জীৱন দেখি বৃদ্ধ শইকীয়াই মানসিক দ্বন্দ্বৰ উপশম ঘটাবলৈ পো-বোৱাৰীৰ ঘৰ ত্যাগ কৰি ‘শান্তিবন’ বৃদ্ধাশ্ৰমলৈ গুচি আহে।

*অগ্নীশ্বৰ* আৰু *শেষ পৃষ্ঠা* দুয়োখন উপন্যাসতে পত্নীৰ মৃত্যুৰ পাছত নিঃসংগ হৈ পৰা বৃদ্ধ চৰিত্ৰ

---

১৪। বনফুল, *অগ্নীশ্বৰ*, পৃ. ৪১

দুটিৰ মনোবেদনা ফুটি উঠিছে। অগ্নীশ্বৰ মুখোপাধ্যায় আৰু বৃন্দাবন শইকীয়া দুয়োগৰাকী পিতৃয়ে আদৰ্শভ্ৰষ্ট পুত্ৰৰ কাৰণে বাৰ্ধক্যত গৃহ ত্যাগ কৰিবলৈ বাধ্য হৈছে। দুয়োগৰাকী বৃদ্ধৰ মানসিক দ্বন্দ্ব, দ্বিধা, সংশয়, হতাশাগ্ৰস্ত মনৰ চিত্ৰ আৰু সামাজিক চেতনাৰ প্ৰতিফলন উপন্যাস দুখনত প্ৰকাশ পাইছে। *অগ্নীশ্বৰ* উপন্যাসত অগ্নীশ্বৰ মুখোপাধ্যায়ে চিকিৎসা বৃত্তিকে বাৰ্ধক্য-জীৱনৰ শেষ সম্বল কৰি লৈছে। একেদৰে *শেষ পৃষ্ঠা* উপন্যাসত বৃন্দাবন শইকীয়াই শিক্ষকতা বৃত্তিক সাৰ্থক কৰিবলৈ 'শান্তিবন' বৃদ্ধাশ্ৰমত চেষ্টা চলাইছে। *অগ্নীশ্বৰ* (১৯৫৯) উপন্যাসখন বলাইচন্দ মুখোপাধ্যায়ে বিংশ শতিকাৰ ষাঠিৰ দশকতে ৰচনা কৰে। অসমীয়া সাহিত্যত জিতুমণি বৰাই *শেষ পৃষ্ঠা* (২০১৫) উপন্যাসখন একবিংশ শতিকাতহে ৰচনা কৰে। *অগ্নীশ্বৰ* আৰু *শেষ পৃষ্ঠা* বাংলা আৰু অসমীয়া সাহিত্যৰ দুখন সফল বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস। উপন্যাস দুখনৰ পৰা এই কথা প্ৰতীয়মান হয় যে বাংলা সাহিত্যত এনে সফল বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস ষাঠিৰ দশকতে ৰচনা হয়। কিন্তু অসমীয়া সাহিত্যত বৃদ্ধ-মনস্তত্ত্বৰ প্ৰভাৱ বহুকাল পাছতহে আহে।

বাংলা সাহিত্যৰ আন এগৰাকী প্ৰতিষ্ঠিত ঔপন্যাসিক আশাপূৰ্ণা দেৱীৰ *প্ৰথম প্ৰতিশ্ৰুতি* (১৯৬২) উপন্যাসখনৰ লগত অসমীয়া সাহিত্যৰ নিৰোদ চৌধুৰীৰ *কুঁৱলীৰ আখৰ* (১৯৬৯) উপন্যাসৰ সাদৃশ্য দেখা যায়। *প্ৰথম প্ৰতিশ্ৰুতি* নাৰী-মনস্তত্ত্ব আৰু নাৰীৰ সামাজিক স্থিতিৰ ভিত্তিত ৰচনা কৰা উপন্যাস হ'লেও প্ৰসংগক্ৰমে বৃদ্ধ-মনস্তত্ত্বৰ আভাস পোৱা যায়। সময় আৰু পৰিৱেশত সৃষ্টি হোৱা সন্তানৰ মানসিক বেদনা আৰু সেই বেদনা সহিব নোৱাৰা বৃদ্ধ পিতৃৰ মানসিক অন্তৰ্দ্বন্দ্বৰ প্ৰতিফলন দুয়োখন উপন্যাসতে দেখা যায়। *প্ৰথম প্ৰতিশ্ৰুতিত* ৰক্ষণশীল কুলীন ব্ৰাহ্মণ সমাজৰ সামাজিক অনুশাসনৰ বাবে ৰামকালী চেটাৰ্জীয়ে সাত বছৰ বয়সতে মৰমৰ জীয়াৰী সত্যৱতীক আগবিয়া দিয়ে। ন বছৰ বয়সত সত্যৱতীক স্বামীগৃহলৈ পঠিয়াব লগাত বৃদ্ধ পিতৃ ৰামকালীৰ নিঃসংগতাৰ বেদনা বৃদ্ধি পাবলৈ ধৰে। স্বামীগৃহত সত্যৱতীয়ে কষ্ট পোৱা বুলি এক পত্ৰৰ যোগেদি পিতৃ ৰামকালীয়ে জানিব পাৰে। সন্তানৰ দুখত ভাগি পৰা এজন বৃদ্ধ পিতৃৰ অন্তৰৰ হাহাকাৰ মানসিক জটিলতা হৈ উপন্যাসখনত ধৰা দিছে। "চিরনিঃসঙ্গ রামকালীর অন্তরের একটি মাত্র ছোট্ট সঙ্গী, রামকালীর আকাশের আলো-ঝিক্‌ঝিকে ছোট একটি তারকা চিরদিনের  মতো হারিয়ে গেল।"[১৫] জীয়াৰীৰ মৰমত আকুল পিতৃ ৰামকালীয়ে মনক

১৫। আশাপূৰ্ণা দেৱী, *প্ৰথম প্ৰতিশ্ৰুতি*, পৃ. ২৫২

প্ৰবোধ দিব নোৱাৰি জীয়াৰীক ঘৰলৈ ঘূৰাই আনিবলৈ জীয়েকৰ শহুৰেকৰ ঘৰলৈ যায়। কিন্তু জীয়াৰী সত্যৱতীয়ে শাহুৰেকৰ অসুস্থতাৰ অজুহাত দেখুৱাই পিতৃৰ লগত ঘৰলৈ আহিবলৈ অমান্তি হ'ল। পিতৃ ৰামকালী জীয়াৰীৰ চিন্তাত মানসিকভাৱে ভাগি পৰে। আনকি পত্নীৰ মৃত্যুৰ সময়ত সন্তান প্ৰসৱ কৰা জীয়াৰী সত্যৱতীয়ে মৃত মাতৃক চাবলৈ নহাৰ বাবে পিতৃ ৰামকালী চিন্তিত হৈ পৰে। এফালে পত্নীৰ মৃত্যু, আনফালে মৰমৰ জীয়াৰী সত্যৱতী মাতৃ হোৱাৰ সুখে বৃদ্ধ ৰামকালীৰ চৰিত্ৰত দুখ-সুখৰ এক মিশ্ৰ মানসিক চেতনাৰ সৃষ্টি কৰিছে। ৰামকালী চেটাৰ্জীৰ চৰিত্ৰৰ লগত নিৰোদ চৌধুৰীৰ *কুঁৱলীৰ আখৰ* (১৯৬৯) উপন্যাসখনৰ বৃদ্ধ পিতৃ ব্ৰজমোহন বৰুৱাৰ চৰিত্ৰটোৰ সাদৃশ্য দেখা যায়। তিনিজনী জীয়াৰীক সুযোগ্য তিনিজন জোঁৱাইলৈ বিয়া দি বাৰ্ধক্যত স্বস্তিৰ নিশ্বাস ল'ব বিচৰা বৃদ্ধ বৰুৱাই জীয়েকহঁতৰ সুখৰ সংসাৰত ঘুণে ধৰাৰ উমান পাই মানসিকভাৱে জৰ্জৰিত হৈ পৰিছে। জীৱনৰ অৱসাদ আৰু ক্লান্তিক কোনোদিনে প্ৰশ্ৰয় নিদিয়া, আনৰ দৃষ্টিত স্বৰ্গীয় সুখ লাভ কৰা, সজ আদৰ্শৰ ব্ৰজমোহন বৰুৱাই বাৰ্ধক্যত জীয়াৰীহঁতৰ চিন্তাত মনৰ শান্তি হেৰুৱাইছে। জীয়াৰীহঁতৰ সুখৰ সংসাৰ ভাগি পৰা ভাবনাৰে বিচলিত হৈ পৰা বৰুৱা এক বুজাব নোৱাৰা মানসিক অন্তৰ্দ্বন্দ্বৰ সন্মুখীন হৈছে।

আশাপূৰ্ণা দেৱীৰ *প্ৰথম প্ৰতিশ্ৰুতি* আৰু নিৰোদ চৌধুৰীৰ *কুঁৱলীৰ আখৰ* শীৰ্ষক বাংলা আৰু অসমীয়া দুয়োখন উপন্যাসৰ পৰা এই কথা প্ৰতীয়মান হয় যে সন্তানৰ ভৱিষ্যতক লৈ বৃদ্ধ পিতৃ-মাতৃ যিমান সংবেদনশীল, সন্তানসকল কিন্তু বৃদ্ধ পিতৃ-মাতৃক লৈ সিমান সংবেদনশীল নহয়। ৰামকালী চেটাৰ্জী আৰু ব্ৰজমোহন বৰুৱা— দুয়োটা বৃদ্ধ চৰিত্ৰই এই বাস্তৱ সত্য উপন্যাস দুখনৰ মাজেৰে প্ৰতিফলন ঘটাইছে।

বাংলা সাহিত্যত বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ প্ৰকাশিত আন এখন বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস অমৰেশ দত্তৰ *বানপ্ৰস্থ* (২০০৮)। উপন্যাসখনৰ লগত অসমীয়া সাহিত্যৰ কেইবাখনো বৃদ্ধাশ্ৰমকেন্দ্ৰিক উপন্যাসৰ সাদৃশ্য দেখা যায়। সাম্প্ৰতিক সময়ত মধ্যবিত্ত সমাজত চাকৰি আৰু বৃত্তিগত পেছাৰ তাগিদাত সন্তানৰ পৰা বিচ্ছেদ হ'ব লগা নিঃসংগ, নিৰাপত্তাহীন আৰু বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতি নথকা একাংশ বৃদ্ধ পিতৃ-মাতৃৰ শেষ জীৱনৰ আশ্ৰয়থলী বৃদ্ধাশ্ৰম। বৃদ্ধাশ্ৰমৰ ইতিবাচক দিশক লৈ অমৰেশ দত্তই *বানপ্ৰস্থ* নামৰ বাংলা বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসখন ৰচনা কৰিছে। 'বানপ্ৰস্থ' বৃদ্ধাশ্ৰমৰ আৱাসীৰ বাৰ্ধক্য-চিত্ৰ উপন্যাসখনত

বৰ্ণিত হৈছে। সময়ে ঠিকনা সলনি কৰা দুগৰাকী ব্যক্তিত্বসম্পন্ন আৱাসী ড° জয়দেৱ মিত্ৰ আৰু ড° দেৱাংগনা লাহিড়ীক নায়ক-নায়িকা হিচাপে লৈ উপন্যাসখনৰ কাহিনী আগবাঢ়িছে। পঁচাশী বছৰীয়া জয়দেৱ মিত্ৰ আৰু পঁয়সত্তৰ বছৰীয়া দেৱাংগনা লাহিড়ীৰ বাৰ্ধক্য-জীৱনৰ চিত্ৰ উপন্যাসখনত তুলি ধৰা হৈছে। দুই বিদুষী আৱাসীয়ে বৃদ্ধাশ্ৰমখনৰ বৌদ্ধিক শ্ৰীবৃদ্ধি কৰাৰ লগতে নিজেও আত্মসুখ লভিছে। নিৰাপত্তাহীনতাত ভোগা দেৱাংগনাৰ বৃদ্ধ পিতৃৰ বাৰ্ধক্য-চিত্ৰ উপন্যাসখনত তুলি ধৰা দেখা যায়— "এখন মনে হয় তোর বিয়ে হয়ে গেলে তুই তো অন্য কোথাও চলে যেতেস। তখন আমার কী হত। কোঠায় যেতাম, কে আমাকে এই সংসারে বেঁচে থাকার উৎসাহ যোগাত।"[১৬] বৃদ্ধ পিতৃৰ কাৰণে দেৱাংগনাই জীৱনত বিয়াবাৰু নহৈ বাৰ্ধক্যত অনুশোচনা কৰিছে। দেৱাংগনাই বাৰ্ধক্যত স্থায়ী নিৰাপত্তাৰ বাবে 'বানপ্ৰস্থ' বৃদ্ধাশ্ৰমখনলৈ আহে। বৃদ্ধাশ্ৰমকেন্দ্ৰিক উপন্যাসখনত বৃদ্ধসকলৰ ন ন সমস্যা আৰু নিৰাপত্তাহীনতাৰ চিত্ৰ ফুটাই তুলিছে।

পো-বোৱাৰীৰ পৰা পৰিচৰ্যা পোৱা সত্ত্বেও নিজৰ স্বাধীন চিন্তাক প্ৰাধান্য দিয়া খেয়ালী জয়দেৱ মিত্ৰই বাৰ্ধক্যত আত্মমৰ্যাদা, অহমিকা, গাম্ভীৰ্য বজাই ৰখাৰ বৰ্ণনা উপন্যাসখনত পোৱা যায়। বৃদ্ধা দেৱাংগনাৰ আত্মগৌৰৱী আৰু পৰিচয়হীন হৈ পৰাৰ মানসিক জটিলতা তেওঁৰ চৰিত্ৰত ফুটি উঠিছে— "আপনি কাৰ সাথে কথা বলছেন জানেন? আমি ডঃ দেবাঙ্গনা লাহিড়ী, একটি কলেজের অধ্যক্ষা ছিলাম।"[১৭] বাৰ্ধক্যত নিশ্চিত বিপদৰ হাত সাৰিবলৈ শাৰীৰিকভাৱে অক্ষম জয়দেৱ মিত্ৰৰ বুদ্ধি আৰু সচেতনতাৰ পৰিচয় উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে। উপন্যাসখনত দুগৰাকী বৃদ্ধৰ জীৱনত পূৰ্ণ নোহোৱা বহু সপোন আত্মিক মিলনৰ বাবে 'বানপ্ৰস্থ'ৰ শেষ জীৱনত পাবলৈ সক্ষম হোৱাৰ চিত্ৰ তুলি ধৰা হৈছে। অমৰেশ দত্তৰ *বানপ্ৰস্থ* উপন্যাসখনৰ লগত ৰেখা বৰগোহাঁইৰ *আবেলি বেলিৰ বেদনা* (২০১৭) উপন্যাসখনৰ সাদৃশ্য পোৱা যায়। দুয়োখন উপন্যাসতে বৃদ্ধ লোকৰ মানসিক সুখক প্ৰাধান্য দিয়া হৈছে। তদুপৰি মনেমিলা আৱাসীৰ মাজত গঢ় লোৱা প্ৰেমৰ আত্মিক সম্পৰ্ক দুয়োখন উপন্যাসতে দেখা পোৱা গৈছে।

অমৰেশ দত্তৰ *বানপ্ৰস্থ* উপন্যাস আৰু ৰেখা বৰগোহাঁইৰ *আবেলি বেলিৰ বেদনা* উপন্যাসখনৰ সাদৃশ্যই এই কথা স্পষ্ট কৰে যে উপভোগেই কেৱল জীৱনৰ পূৰ্ণতা নহয়। আনক দিব জনা, আনৰ সুখত

---

১৬। অমরেশ দত্ত, *বানপ্রস্থ*, পৃ. ৫৪

১৭। উল্লিখিত, পৃ. ৯৫

সুখী হ’ব পৰা আৰু আত্মিক সুখৰ অনুসন্ধান কৰা আত্মবিশ্বাসীজনেই জীৱনৰ আচল সুখৰ দাবীদাৰ। সেইফালৰ পৰা দুয়োখন উপন্যাসেই সফল বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস।

## ▪ হিন্দী সাহিত্য ঃ

হিন্দী কথাসাহিত্যত প্ৰেমচান্দৰ ‘বুঢ়ী কাকী’ গল্পতে প্ৰথমে বৃদ্ধ-মনস্তত্ত্বৰ প্ৰতিফলন দেখা যায়। পাছলৈ হিন্দী উপন্যাস-সাহিত্যতো বৃদ্ধ-মনস্তত্ত্বৰ যথেষ্ট সমল পোৱা গৈছে। হিন্দী সাহিত্যত প্ৰতিষ্ঠিত কেইবাগৰাকী ঔপন্যাসিকে বাৰ্ধক্য-জীৱনসম্বলিত ঘটনা আৰু চৰিত্ৰক কেন্দ্ৰ কৰি বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস ৰচনা কৰিছে। সেইসকলৰ ভিতৰত নিৰ্মল বৰ্মাৰ *অন্তিম অৰণ্য* (১৯৯০), মম্‌তা কালিয়াৰ *দৌড়* (২০০০) আৰু কৃষ্ণা সৌবতীৰ *সময়-সৰগম* (২০০০) বিশেষভাৱে উল্লেখযোগ্য।

নিৰ্মল বৰ্মাৰ *অন্তিম অৰণ্য* উপন্যাসৰ লগত অসমীয়া সাহিত্যৰ শীলভদ্ৰৰ *গধূলি* উপন্যাসৰ যথেষ্ট সাদৃশ্য পোৱা গৈছে। সত্তৰ বছৰীয়া বৃদ্ধ মেহ্‌ৰা চাহাবৰ পাৰিবাৰিক আৰু মানসিক অন্তৰ্দ্বন্দ্বই *অন্তিম অৰণ্য* উপন্যাসৰ কেন্দ্ৰীয় বিষয়বস্তু। পত্নীবিহীন এজন বৃদ্ধৰ মানসিক নিঃসংগতা, অসহায় ব্যৰ্থ জীৱনৰ চিত্ৰ উপন্যাসখনত তুলি ধৰা হৈছে। এসময়ৰ আই. এ. এছ. মেহ্‌ৰা চাহাবৰ বাৰ্ধক্যৰ নিঠৰুৱা ৰূপ ঔপন্যাসিকে বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাৰে উপন্যাসখনত দাঙি ধৰিছে। প্ৰথমা পত্নী জন্মীৰ মৃত্যুৰ ৰহস্যই বৃদ্ধ মেহ্‌ৰা চাহাবৰ মনত সৃষ্টি কৰা অপৰাধবোধ, একমাত্ৰ সন্তানৰ লগত মানসিক বিচ্ছেদ, অতীতৰ স্মৃতি ৰোমন্থনৰ চিত্ৰ হিন্দী উপন্যাসখনত প্ৰতিফলিত হৈছে। বাহাদুৰ গঞ্জ নামৰ পাহাৰীয়া অঞ্চলত বাৰ্ধক্য অতিবাহিত কৰা মেহ্‌ৰা চাহাবৰ নিঃসংগতাৰ বেদনাৰ পৰিত্ৰাণ কৰিবলৈ দ্বিতীয় পত্নী দিব্যাই এজন কথানায়কৰ বন্দৱস্ত কৰে। বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসখনত বাৰ্ধক্যত চিন্তাৰ শৃংখলা হেৰাই যোৱা বৃদ্ধ মেহ্‌ৰা চাহাবৰ ভাবলেশহীন জীৱনে অৱশেষত ‘অন্তিম অৰণ্য’ৰ ৰূপ লৈছে। বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসখনত বৃদ্ধ মেহ্‌ৰা চাহাবৰ লগতে তেওঁৰ বৃদ্ধ প্ৰতিৱেশীসকলৰো বৰ্ণনা পোৱা যায়। *অন্তিম অৰণ্য* উপন্যাসত বৃদ্ধ মেহ্‌ৰা চাহাবৰ বাৰ্ধক্যৰ শাৰীৰিক অৱক্ষয় আৰু পদে পদে খেদি ফুৰা মৃত্যুভয়ৰ স্বৰূপ প্ৰকাশ পাইছে।

वह आधे बिस्तर पर थी,आधे नीचे लटक रहे थे, जैसे अचानक किसी ने उन्हें धक्का दिया हो और बह गिरते–गिरते संभल गएहो... एक आँख खुली थी, मुँह के कोर से थुंक की एक लाइन ठुड्डी तक बह आइ थी.... एक गहरी घनघोर आवाज में कोइ घायल पशु क्रंदन कर रहा हो।[१৮]

শীলভদ্ৰৰ *গধূলি* উপন্যাসত পত্নীবিহীন এজন বৃদ্ধৰ মানসিক নিঃসংগতা, কৰ্মব্যস্ততাহীন অৱসৰী জীৱনৰ পৰিচয় পোৱা যায়। কৰ্মব্যস্ততা বঢ়াবলৈ অধ্যাপক জীয়াৰীয়ে বৃদ্ধ পিতৃক আত্মজীৱনী লিখিবলৈ পৰামৰ্শ দিছে। দুয়োখন উপন্যাসতে হতাশাগ্ৰস্ত বৃদ্ধ পিতৃৰ পৰিচয় পোৱা যায়। তদুপৰি বাৰ্ধক্যত শাৰীৰিক অৱসাদে চিন্তাৰ শৃংখলা নোহোৱা কৰা এজন বৃদ্ধৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতক একাকাৰ কৰা দুয়োখন উপন্যাসখনতে প্ৰত্যক্ষ কৰা হৈছে। গতিকে নিৰ্মল বৰ্মাৰ *অন্তিম অৰণ্য* আৰু শীলভদ্ৰৰ *গধূলি* ক্ৰমে হিন্দী আৰু অসমীয়া ভাষা-সাহিত্যৰ দুখন উল্লেখযোগ্য বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস।

হিন্দী সাহিত্যৰ আন এগৰাকী প্ৰতিষ্ঠিত ঔপন্যাসিক মমতা কালিয়াৰ *দৌড়* আন এখন বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস। ভোগবাদী আৰু প্ৰতিযোগিতামূলক সাম্প্ৰতিক সমাজত তৰুণ প্ৰজন্মৰ উচ্চাকাংক্ষা, ৰুচিবোধ, মূল্যবোধৰ পৰিৱৰ্তন আৰু পৰম্পৰাবিশ্বাসী বৃদ্ধ পিতৃ-মাতৃক এলাগী কৰাৰ চিত্ৰ উপন্যাসখনত তুলি ধৰা হৈছে। সমাজ জীৱনৰ দ্ৰুত পৰিৱৰ্তনত সময় আৰু পৰিৱেশে সলনি কৰা চিন্তা-চেতনা আৰু মূল্যবোধৰ অৱক্ষয়ে এহাল বৃদ্ধ দম্পতীৰ জীৱনলৈ অনা হতাশাগ্ৰস্ত জীৱনচিত্ৰ উপন্যাসখনত অংকন কৰা হৈছে। সুখী মধ্যবিত্ত পৰিয়ালটোৰ পিতৃ-মাতৃয়ে সন্তানৰ উচ্চাকাংক্ষাক সাকাৰ ৰূপ দিবলৈ গৈ বাৰ্ধক্যত নিঃসংগ আৰু নিঃসহায় হৈ পৰাৰ উল্লেখ হিন্দী উপন্যাসখনত পৰিদৃষ্ট হৈছে। আন্তঃৰাষ্ট্ৰীয় কোম্পানীত চাকৰি কৰিবলৈ গৈ উন্নতিৰ নিচাত নতুন জগতত প্ৰতিষ্ঠিত হ'ব খোজা বৰপুত্ৰৰ 'প্ৰেক্টিকেল' জীৱনত বৃদ্ধ পিতৃ-মাতৃৰ আৱেগ মূল্যহীন হৈ পৰিছে। এফালে পুত্ৰৰ স্নেহত সুখী হ'বলৈ চেষ্টা কৰা আৰু আনফালে পৰম্পৰা-সংস্কাৰ এৰিব নোখোজা পিতৃ-মাতৃৰ জৰিয়তে উপন্যাসখনত বৃদ্ধ-মনস্তত্ত্বৰ জটিল স্বৰূপ দাঙি ধৰিব বিচাৰিছে। বৃত্তি আৰু চাকৰিয়ে প্ৰবাসী কৰা সন্তানৰ ভৌগোলিক দূৰত্বই পিতৃ-মাতৃৰ লগত মানসিক ব্যৱধান অনা উপন্যাসখনত পৰিলক্ষিত হৈছে। তৰুণ প্ৰজন্মৰ নৈতিক আৰু মানৱীয় প্ৰমূল্যৰ অৱক্ষয়িত ৰূপ এটিও উপন্যাসখনত ফুটি উঠিছে। হৃদৰোগত মৃত্যুবৰণ কৰা বৃদ্ধ পিতৃৰ শেষকৃত্য সমাপন কৰিবলৈ

---

১৮। निर्मल वर्मा, *अंतिम अरण्य,* पृ.२१७

প্ৰবাসী পুত্ৰই অনিচ্ছা প্ৰকাশ কৰা এটি মৰ্মস্পৰ্শী চিত্ৰ উপন্যাসখনত প্ৰত্যক্ষ কৰা হৈছে।

> हम सब तो आज लुट गए ममा। लोग बता रहें हैं -मेरे आने तक डैडी को रखा नहीं जा सकता। आप ऐसा कीजिए. ईस काम के लिए किसी को बेटा बनाकर दाह-सत्कार (क्रिया-कर्म) करवाईए। मेरे लिए तेरह दिन रुकना मुस्किल होगा।[১৯]

প্ৰজন্মৰ নৈতিক আৰু মানৱীয় মূল্যবোধৰ অৱক্ষয়ৰ স্বৰূপ উপন্যাসখনৰ মাজেৰে ব্যক্ত কৰিছে। তদুপৰি বৃদ্ধ লোকক নিজৰ শক্তি-সামৰ্থ্য আৰু বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰে নিজাকৈ এখন পৃথিৱী গঢ়ি ল'বলৈ হিন্দী উপন্যাসখনৰ যোগেদি এটি বাৰ্তা প্ৰেৰণ কৰিছে— য'ত সন্তান অবিহনেও বৃদ্ধ লোকে আত্মবিশ্বাসেৰে নিজৰ সুখৰ সন্ধান কৰিব পাৰে। অসমীয়া সাহিত্যত অৰুণ শৰ্মাৰ *উভলা শিপা*, শীলভদ্ৰৰ *অনুসন্ধান* আৰু *তৰঙ্গিনী* উপন্যাসতো প্ৰজন্মৰ ব্যৱধান, মানৱীয় প্ৰমূল্যৰ অৱক্ষয়, শৈক্ষিক মূল্যবোধৰ অভাৱ— এনেবোৰ বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাৰ প্ৰতিফলন ঘটিছে।

হিন্দী সাহিত্যৰ আন এগৰাকী প্ৰতিষ্ঠিত ঔপন্যাসিক কৃষ্ণা সৌবতীৰ *সময় সৰংগম* উপন্যাসত বাৰ্ধক্যজনিত সমস্যাই বৃদ্ধ লোকৰ মনলৈ অনা জটিলতাৰ চিত্ৰ দাঙি ধৰা হৈছে। সাংসাৰিক জীৱনত বৃদ্ধ লোকৰ নিঃসংগতাৰ মনোবেদনা উপন্যাসখনৰ প্ৰতিজন বৃদ্ধ চৰিত্ৰৰ বাবে বেলেগ বেলেগ কাৰক হৈ ধৰা দিছে। কোনোৱে পৰিয়ালহীন হৈ, কোনোৱে পৰিয়ালৰ পৰা আঁতৰত থাকি আৰু আন কোনোৱে পৰিয়ালত থাকিও নিঃসংগতাৰ মৰ্মান্তিক বেদনা অনুভৱ কৰিছে। উপন্যাসখনত প্ৰতিৱেশী ঈশান আৰু আৰণ্যা নিঃসংগতাৰ বাবে বাৰ্ধক্যত ইজনে সিজনৰ লগৰী হৈ পৰিছে। অবিবাহিতা আৰণ্যাই নিঃসংগ জীৱনৰ বাবে কোনো ক্ষোভ নকৰি সময়ৰ গতিত চলিব জনা এগৰাকী সুখী বৃদ্ধাৰ পৰিচয় দিছে। সেইবাবে বাৰ্ধক্যত আৰণ্যা আৰু প্ৰতিৱেশী ঈশান আন্তৰিক ডোলেৰে বান্ধ খাই পৰিছে। স্বাস্থ্য-সচেতনতাৰে দুয়ো প্ৰাতঃভ্ৰমণলৈ যোৱা, একেলগে খোৱা-বোৱা কৰা, ইজনে সিজনৰ অবিহনে থাকিব নোৱাৰা ইত্যাদি বৰ্ণনাৰ লগত অমৰেশ দত্তৰ *বানপ্ৰস্থ* উপন্যাসৰ জয়দেৱ মিত্ৰ আৰু দেৱাংগনা লাহিড়ী চৰিত্ৰ দুটিৰ সাদৃশ্য পোৱা যায়। তদুপৰি উপন্যাসখনত দয়মন্তী, প্ৰভুদয়াল আৰু কামিনী নামৰ আন কেইবাটাও বৃদ্ধ চৰিত্ৰৰ নিৰাপত্তাহীনতা আৰু

১৯। ममता कालिया, दौड़, पृ.६५

অসহায় জীৱনৰ দুৰ্দশাৰ চিত্ৰ প্ৰত্যক্ষ হৈছে।

হিন্দী উপন্যাসখনৰ বৃদ্ধা দয়মযন্তী চৰিত্ৰটোৰ লগত নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* উপন্যাসৰ বৃদ্ধ বিজয় ভৰালীৰ সাদশ্য দেখা যায়। স্বতন্ত্ৰভাৱে নিজ হাতে গঢ়ি তোলা নিজৰ সংসাৰখনতে বাৰ্ধক্যত সন্ত্ৰস্ত অপৰাধীৰ দৰে দয়মযন্তী আৰু বিজয় ভৰালীয়ে মানসিক যন্ত্ৰণাত দিন অতিবাহিত কৰিছে।

> मैं तुम्हारी तरह अकेली होती तो क्यों परेशान होती। बच्चे साथ रह रहे हैं। मेरे घर में मेरा किचन चल रहा है, खर्चा मैं कर रही हूँ, और मै अपने कमरे में अकेली पड़ी रहती हूँ। बिना मेरी इजाजत मेरा सामान इघर से उघर करते रहती हैं .....मैं अपने बच्चे से वैर विरोघ क्यों करुँगी! उनका भी कोइ फर्ज बनता है, मैंने कुछ खाया-पिया है कि नहीं - बीमार हूँ, दावा लानी है, टेस्ट करवाना है - डाँक्टर के पास जाना है वह सब मैं अपने आप ही करूँ! ....मै ड्राइंग रूम में नहीं बैठ सकती, मेरे मेहमान नहीं बैठे सकते जबकि वहां का सब फर्नीचर साज-सामान मेरा अपना बनाया हूआ है और मैं किसी बेजान काठ की तरह देखी जाती हूँ।[२०]

হিন্দী উপন্যাসখনৰ বৃদ্ধা কামিনী চৰিত্ৰটোৰ লগত মণিকুন্তলা ভট্টাচাৰ্যৰ *বন্ধ ঘৰৰ খিৰিকী* শীৰ্ষক অসমীয়া উপন্যাসখনৰ বৃদ্ধা নিৰ্মলা চৰিত্ৰৰ মিল দেখা যায়। বাৰ্ধক্যৰ নিৰাপত্তাহীনতা আৰু নিঃসহায় জীৱনৰ চিত্ৰ দুয়োখন উপন্যাসতে প্ৰতিফলিত হৈছে। সাম্প্ৰতিক সমাজত বৃদ্ধ মানুহৰ মূল্যতকৈ টকা-পইচাৰ গুৰুত্ব অধিক। বাৰ্ধক্যৰ নিৰাপত্তাহীন অৱস্থাৰ চিত্ৰণ প্ৰকাশিত জিতুমণি বৰাৰ *শেষ পৃষ্ঠা* নামৰ অসমীয়া উপন্যাসখনৰ লগত হিন্দী উপন্যাসখনৰ যথেষ্ট সাদৃশ্য আছে।

গতিকে বাৰ্ধক্যজনিত শাৰীৰিক অসুস্থতা, নিঃসংগতাৰ বেদনা, একাকিত্ব, খৰ্ব স্বাধীনতা, নিৰাপত্তাহীনতা আৰু মানৱীয় প্ৰমূল্যৰ অৱক্ষয়িত ৰূপ অন্যান্য ভাষাৰ সাহিত্যৰ অন্তৰ্গত উপন্যাসৰ বৃদ্ধ চৰিত্ৰত প্ৰতিফলিত হৈছে। সাম্প্ৰতিক সময়োপযোগী বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখনত বৃদ্ধ-মনস্তত্ত্বৰ এনেবোৰ দিশ প্ৰকাশ পাইছে।

---

২০। कृष्णा सोबती, *समय सरगम*, पृ.७४

## ৪.২ চৰকাৰী আৰু সামাজিক পৃষ্ঠপোষকতাত বৃদ্ধ লোকৰ নিৰাপত্তাৰ ব্যৱস্থা আৰু অসমীয়া উপন্যাস ঃ

চিকিৎসাবিজ্ঞানৰ অভিনৱ প্ৰগতি, ব্যক্তিৰ জীৱনশৈলীৰ পৰিৱৰ্তন, স্বাস্থ্য-সচেতনতা, যোগাভ্যাস, ব্যায়াম আৰু বাৰ্ধক্যক প্ৰতিৰোধ কৰাৰ নিৰলস প্ৰচেষ্টাৰ বাবে পূৰ্বতকৈ বৃদ্ধসকলক পৰিয়াল আৰু সমাজত বেছিকৈ দেখা পোৱা গৈছে। বাৰ্ধক্যজনিত শাৰীৰিক অসুস্থতা, সমাজ আৰু পৰিয়ালত অনাদৃত, অৱহেলিত, উপেক্ষিত, পৰনিৰ্ভশীল হ'ব লগা একাংশ বৃদ্ধ লোকৰ মানসিক অসুস্থতা দিনকদিনে বৃদ্ধি পাবলৈ ধৰিছে। সাম্প্ৰতিক সমাজত দৈনন্দিন অপদস্থ হ'ব লগা বৃদ্ধসকলৰ সংঘাতপূৰ্ণ জীৱন আৰু পৰিয়ালকেন্দ্ৰিক দ্বন্দ্ব, অত্যাচাৰ, শোষণ আৰু বঞ্চনাই বৃদ্ধসকলক ভীতিগ্ৰস্ত কৰিছে। গৱেষণাৰ বিষয়টোৱে বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ বৃদ্ধসকলৰ বহু সমস্যাৰ অসমীয়া উপন্যাসত প্ৰতিফলন ঘটোৱা দৃষ্টিগোচৰ হৈছে। সাম্প্ৰতিক সময়ত বৃদ্ধসকলৰ মনৰ ন ন সমস্যা আৰু মানৱীয় প্ৰমূল্যৰ অৱক্ষয়, আদৰ্শ আৰু মূল্যবোধৰ অৱনতি, কনিষ্ঠ প্ৰজন্মৰ বৃদ্ধসকলৰ প্ৰতি সহানুভূতিহীন আৰু অসংযত আচৰণৰ অভিযোগ সমাজ আৰু পৰিয়ালত দেখা গৈছে। অৱশ্যে ভাৰতবৰ্ষতকৈ পাশ্চাত্য দেশৰ বৌদ্ধিক মহলত বৃদ্ধসকলৰ সমস্যা বহু আগৰে পৰা চিন্তা-চৰ্চা অব্যাহত ৰখা দেখা যায়। পাশ্চাত্য দেশত ১৮ বছৰৰ বয়সৰ সন্তানে পিতৃ-মাতৃৰ পৰা আঁতৰি নিজাকৈ থাকিব লগা ৰীতি বলৱৎ কৰা হৈছে— যাৰ বাবে পাশ্চাত্য দেশত বৃদ্ধসকলৰ নিঃসংগতা প্ৰাচ্য দেশতবোৰকৈ বেছি। পাশ্চাত্য দেশত শৰীৰে টনালৈকে কৰ্মব্যস্ত হৈ থাকিবলৈ বৃদ্ধসকলক অনুপ্ৰাণিত কৰা হয়। ভাৰতবৰ্ষ, চীন আৰু জাপান আদি প্ৰাচ্য দেশসমূহত এনে নিয়ম কিন্তু প্ৰযোজ্য নহয়। বৃদ্ধসকলক আদৰ আৰু সসন্মানে ৰখাৰ ৰীতি পৰম্পৰাগতভাৱে প্ৰাচ্য দেশসমূহত চলি আহিছে।

সাম্প্ৰতিক সময়ত বৃদ্ধসকলৰ সমস্যাই সমগ্ৰ বিশ্বৰে এক জটিল সমস্যা হৈ ধৰা দিছে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বৃদ্ধসকলৰ সমস্যাৰ সমাধান কৰিবলৈ ৰাষ্ট্ৰসংঘৰ উদ্যোগত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে প্ৰচেষ্টা লৈছে। বাৰ্ধক্যৰ সমস্যাবোৰৰ সমাধানকল্পে সৰ্বশক্তিমান মঞ্চ 'ৰাষ্ট্ৰসংঘ'ই পৃথিৱীৰ সকলো দেশৰ সন্মিলিত ৰাষ্ট্ৰীয় সাধাৰণ পৰিষদক সন্মিলিত কৰি ১৯৯০ চনৰ ১৪ ডিচেম্বৰত 'ইউনাইটেড নেশ্যন্‌ছ প্ৰিন্সিপুল্‌ছ ফৰ অ'ল্ডাৰ পাৰ্ছন্স' গঠন কৰে। ৰাষ্ট্ৰসংঘৰ এনে নীতিৰ আধাৰত ১৯৯১ চনৰ ১ অক্টোবৰৰ দিনটো 'বৃদ্ধসকলৰ

বছৰ' (International old age day) হিচাপে ঘোষণা কৰা হয় আৰু ২০০৫ চনৰ পৰা এই দিৱস বছৰি বৃদ্ধ লোকৰ কাৰণে পালন কৰাৰ ব্যৱস্থা কৰে। বৃদ্ধ লোকৰ মৌলিক প্ৰয়োজন খাদ্য, বাসস্থান আৰু স্বাস্থ্য-সুৰক্ষা, মনোৰঞ্জন, সৃষ্টিশীল দক্ষতা, সক্ৰিয়তা আৰু কৰ্মস্পৃহাৰ প্ৰতি উৎসাহিত কৰিবলৈ ১৯৯২ চনত Integrated Programme for Older Person (IPOP) আইন কাৰ্যকৰী কৰা হয়। দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ বৃদ্ধসকলক সুৰক্ষা আৰু নিৰাপত্তা প্ৰদান কৰিবলৈ ১৯৯৫ চনৰ National Social Assistance Scheme (NSAS) নীতিৰ অধীনত National old age pension scheme (NOAPS)ৰ ব্যৱস্থা হাতত লোৱা হয়। এই ব্যৱস্থাৰ বাবে ৰাজ্যিক আৰু জিলা পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহৰ বৃদ্ধসকলক আৰ্থিক সকাহ দিবলৈ চৰকাৰী পক্ষই প্ৰচেষ্টা লৈছে। কেন্দ্ৰীয় চৰকাৰেও বৃদ্ধসকলৰ স্বাস্থ্য-সচেতনতা, সুৰক্ষা, সামাজিক নিৰাপত্তা আৰু কল্যাণৰ বাবে ১৯৯৯ চনত 'কেন্দ্ৰীয় জ্যেষ্ঠ নাগৰিক নীতি' (National Policy of Older Person) ঘোষণা কৰে। কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ সামাজিক ন্যায়াধীশৰ সভাপতিত্ব আৰু কৰ্তৃত্বত 'কেন্দ্ৰীয় জ্যেষ্ঠ নাগৰিক পৰিষদ' (National Council of Older Person) গঠনৰ প্ৰচেষ্টা গ্ৰহণৰ ব্যৱস্থা কৰে। পিতৃ-মাতৃ আৰু বৃদ্ধসকলৰ ভৰণ-পোষণ আৰু কল্যাণৰ বাবে প্ৰস্তুত কৰা The Maintenance and Welfare of Parents and Senior Citizens Act (২০০৭ৰ ডিচেম্বৰ)ৰ জৰিয়তে বৃদ্ধ লোকৰ ভৰণ-পোষণ, বাসস্থান, স্বাস্থ্যসেৱা, জীৱন আৰু সম্পত্তিৰ সুৰক্ষা, অপৰাধ বিচাৰ প্ৰক্ৰিয়া আৰু বিবিধ বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। চৰকাৰী নীতি-নিৰ্দেশনাৰ জৰিয়তে বৃদ্ধ লোকক বৃদ্ধ পেন্সন, ভৱিষ্যনিধি সঞ্চয়ন, অৱসৰকালীন সা-সুবিধাৰ ব্যৱস্থা কৰা হৈছে। বৃদ্ধ লোকৰ স্বাস্থ্যৰ সুৰক্ষা আৰু যত্নৰ প্ৰয়োজনীয়তাক চৰকাৰী পৃষ্ঠপোষকতাৰ আঁচনিয়ে উচ্চ অগ্ৰাধিকাৰ দিছে। জনস্বাস্থ্য সেৱা, স্বাস্থ্য বীমাৰ ৰেহাই ব্যৱস্থা আৰু বিনামূলীয়া ঔষধ, চলন্ত স্বাস্থ্যসেৱা, চিকিৎসাসেৱকৰ প্ৰশিক্ষণ, স্বাস্থ্য সম্পৰ্কীয় সচেতনতা, ব্যায়াম, প্ৰাণায়াম আৰু বৃদ্ধ লোকক প্ৰয়োগ কৰা ঔষধৰ অধ্যয়নক গুৰুত্ব দিবলৈ চৰকাৰী পৃষ্ঠপোষকতাই তৎপৰতা লৈছে। শাৰীৰিক স্বাস্থ্যৰ লগতে মানসিক পৰিপুষ্টিৰ বাবে মনোৰঞ্জন আৰু বিনোদনৰ ব্যৱস্থা, বৃদ্ধ লোকৰ গৃহ নিৰ্মাণ, ক্ৰয় আৰু আৱণ্টনৰ বিশেষ ঋণৰ ব্যৱস্থা, অকলশৰীয়া বৃদ্ধসকলৰ বাবে দলগত গৃহব্যৱস্থা অথবা পেছাদাৰী প্ৰশিক্ষণপ্ৰাপ্ত বিশেষজ্ঞৰ দ্বাৰা নিৰ্মিত বৃদ্ধাশ্ৰমৰ ব্যৱস্থা কৰা হৈছে। অকলশৰীয়া বৃদ্ধ দম্পতীৰ বাবে আত্মীয়, বন্ধু-বান্ধৱ, ওচৰ-চুবুৰীয়া আৰু তেওঁলোকৰ লগত যোগাযোগ ৰাখিবলৈ টেলিফোনৰ সুব্যৱস্থা কৰা হৈছে। বৃদ্ধসকলৰ বিশেষ প্ৰয়োজনীয় পৰিচয়পত্ৰ, যাতায়াতৰ বিভিন্ন আকৰ্ষণীয় সা-সুবিধা, ওলাই-সোমাই ফুৰাৰ বাবে সতৰ্ক দৃষ্টি ৰাখিবলৈ প্ৰশাসন তথা সমাজৰ লোকক দায়িত্ব অৰ্পণ কৰা হৈছে। বৃদ্ধসকলৰ অভিযোগ,

প্ৰতাৰণা-প্ৰৱঞ্চনাৰ ক্ষতিপূৰণৰ প্ৰতি স্থানীয় কৰ্তৃপক্ষৰ গুৰুত্ব আৰু বিষয়ৰ তৎকালীন নিষ্পত্তিৰ বাবে এনে সমূহ আঁচনিৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কেৱল নীতি-নিৰ্দেশনাই নহয়, এই আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত পৰিয়াল, সমাজ আৰু সম্প্ৰদায়ৰ দায়বদ্ধতাৰ ক্ষেত্ৰত চৰকাৰী পৃষ্ঠপোষকতাই গুৰুত্ব দিছে।

বৃদ্ধসকলৰ সমস্যা এটা আৱেগিক, সংবেদনশীল আৰু মননশীল বিষয়। কেৱল চৰকাৰী পৃষ্ঠপোষকতাই বৃদ্ধ লোকৰ সমস্যাৰ সমাধান কৰিব নোৱাৰে। বৃদ্ধ লোকৰ সমস্যা সমাধান কৰিবলৈ চৰকাৰী পৃষ্ঠপোষকতাৰ লগতে সমাজ আৰু পৰিয়ালৰ পূৰ্ণ সহযোগৰ প্ৰয়োজন। তদুপৰি বৃদ্ধসকলৰ নিজৰ ঐকান্তিক প্ৰচেষ্টাও এইক্ষেত্ৰত অতিকে আৱশ্যক। উপৰুৱা আৰু আনক দেখুৱাই দায়িত্ববোধ পালন কৰা সামাজিক পক্ষৰ সহযোগিতাই এনে সমস্যা আন্তৰিকতাৰে ল'ব নোৱাৰে। তথ্য-প্ৰযুক্তিবিদ্যাৰ প্ৰচাৰ আৰু প্ৰসাৰ মাধ্যমত বৃদ্ধ-মনস্তত্ত্বৰ দৰে সংবেদনশীল বিষয়ৰ সমাধান এতিয়ালৈকে সহজসাধ্য হৈ উঠা নাই। বৃদ্ধসকলৰ সমস্যা সমাধানৰ বাবে সাহিত্যই সফল পদক্ষেপ আনিব পাৰিব বুলি গৱেষণাৰ বিষয়টোৰ পৰা আশা কৰা হৈছে। সাহিত্য যিহেতু এক ধৰণৰ কলা, সেইবাবে কলা মাধ্যমত প্ৰচাৰ কৰা বৃদ্ধ-মনস্তত্ত্বমূলক বিষয়ক হৃদয়ংগম কৰা প্ৰকৃততে সহজ। সামাজিক দায়বদ্ধতা থকা সাহিত্যিকে সাহিত্যৰ ব্যতিক্ৰমী প্ৰচেষ্টাৰে পঢ়ুৱৈক আকৰ্ষণ কৰিব পাৰিলে বাৰ্ধক্যজনিত সমস্যাৰ কুপ্ৰভাৱ সমাজত হ্ৰাস পোৱাৰ আশা কৰিব পাৰি। বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ একাংশ অসমীয়া সাহিত্যিকে বাৰ্ধক্য-জীৱনসম্বলিত কথাসাহিত্য ৰচনাৰে সামাজিক দায়বদ্ধতা আৰু সমাজ সংস্কাৰৰ দৰে গুৰুদায়িত্ব পালন কৰিছে। সমাজত দেখা দিয়া বৃদ্ধসকলৰ সমস্যাসমূহৰ প্ৰতি এক নিৰ্দিষ্ট সময়ত ৰচিত বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসে সমাজৰ লোকসকলৰ সচেতন মনোভাৱৰ পৰিচয় দিছে। সাম্প্ৰতিক সময়ত সমাজত ভয়াৱহ ৰূপ ল'বলৈ ধৰা বৃদ্ধসকলৰ ন ন সমস্যাসমূহৰ প্ৰতি খুব কমসংখ্যক লোকৰ সামাজিক দায়বদ্ধতা দেখা যায়। বৃদ্ধসকলৰ সমস্যাক গুৰুত্ব সহকাৰে ল'ব পাৰিলে সমাজত বৃদ্ধসকলৰ সমস্যাৰ জটিলতা কমি আহিব বুলি আশা কৰিব পাৰি। বৃদ্ধসকলৰ সমস্যা সমাজৰ মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীত বেছিকৈ ধৰা দিয়াটো গৱেষণাৰ বিষয়টোৱে প্ৰমাণ দিয়ে। মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ প্ৰায়সকল লোকেই শিক্ষিত। সেইবাবে এই শ্ৰেণীৰ লোকে সমাজৰ বৃদ্ধসকলৰ বাস্তৱ সমস্যাক সহানুভূতি আৰু হৃদয়স্পৰ্শীৰূপে কলাসুলভ উপন্যাসৰ জৰিয়তে প্ৰতিহত কৰিব পৰাৰ সম্ভাৱনা আছে। এইক্ষেত্ৰত জিতুমণি বৰাৰ *শেষ*

*পৃষ্ঠা* আৰু ৰেখা বৰগোহাঁইৰ *আবেলি বেলিৰ বেদনা* উপন্যাসত বৃদ্ধসকলৰ নিৰাপত্তা আৰু মানসিক দিশত সুখী কৰাৰ প্ৰচেষ্টা অৱলম্বন কৰিছে। ভৱিষ্যতে বৃদ্ধসকলৰ নিৰাপত্তা ব্যৱস্থাক লৈ তথ্যসম্বলিত উপন্যাস ৰচনাৰ অৱকাশ আছে।

## ৪.৩ আলোচ্যকালৰ (১৯৬১-১৯৯০) উপন্যাসৰ প্ৰেৰণাত সৃষ্ট পাছৰ কালৰ উপন্যাসত বৃদ্ধ মনস্তত্ত্ব ঃ নতুন জটিলতাৰ প্ৰতিফলন ঃ

সাম্প্ৰতিক অসমীয়া সাহিত্যৰ উপন্যাস শাখাটোৰ জৰিয়তে একাংশ ঔপন্যাসিকে বৃদ্ধসকলৰ মনৰ জটিলতা বাস্তৱৰ উপযোগীকৈ উপস্থাপন কৰিছে। সমাজ-জীৱনৰ পৰিৱৰ্তনে সামাজিক-পাৰিবাৰিক জীৱনত বৃদ্ধসকলৰ নতুন নতুন জটিলতা উপন্যাসসমূহত তুলি ধৰিছে। অসমীয়া উপন্যাসত বৃদ্ধসকলৰ নতুন জটিলতাৰ প্ৰতিফলন চালিজাৰি চাবলৈ মামণি ৰয়ছম গোস্বামীৰ *নীলকণ্ঠী ব্ৰজ*, ৰেখা বৰগোহাঁইৰ *আবেলি বেলিৰ বেদনা* আৰু অনুপমা বৰগোহাঁইৰ *শ্যামকানু দূৰৈ হৈ নাযাবা* উপন্যাসকেইখনৰ আলোচনা প্ৰসংগক্ৰমে এই উপ-অধ্যায়ত আনিবলৈ বিচৰা হৈছে। অৱশ্যে এইকেইখন উপন্যাস গৱেষণাৰ পৰিসীমাত সীমাৱদ্ধ কৰা হোৱা নাই।

পুৰুষতান্ত্ৰিক সমাজত পুৰুষ-নাৰীক সমমৰ্যাদা দিয়া আইন সাম্প্ৰতিক সময়ত গৃহীত হৈছে যদিও সমাজত বৃদ্ধ নাৰীৰ আৰ্থিক দীনতা, নিৰাপত্তাহীনতা আৰু বাৰ্ধক্যৰ শাৰীৰিক আৰু মানসিক দুৰৱস্থাৰ ভয়াৱহ চিত্ৰ অসমীয়া উপন্যাসত অংকন কৰা দেখা যায়। মামণি ৰয়ছম গোস্বামীৰ *নীলকণ্ঠী ব্ৰজ* উপন্যাসত শ্ৰীকৃষ্ণৰ জন্মভূমি ব্ৰজধামৰ বৃদ্ধা ৰাধেশ্যামীৰ দৰিদ্ৰতা, শোষণ আৰু নিষ্পেষণৰ হৃদয়বিদাৰক চিত্ৰ তুলি ধৰিছে। ঔপন্যাসিকে উপন্যাসখনৰ জৰিয়তে ব্ৰজধামৰ বৃদ্ধ নাৰীৰ মানসিক যন্ত্ৰণাৰ প্ৰতিচ্ছবি সাধাৰণ পঢ়ুৱৈৰ আগত অৱগত কৰাইছে— "ছিন্ন কাপোৰেৰে বান্ধি অনা বুঢ়ী এজনীৰ ৰুটিকেইখন ধূলিৰে ধূসৰিত আলিত ছিটিকি পৰিল। বুঢ়ীয়ে আক্ষেপ কৰি আকৌ চিঞৰি উঠিল— ছিঃ! ছিঃ!!"[২১] ব্ৰজধামৰ ভণ্ড সমাজখনত বৃদ্ধা ৰাধেশ্যামীসকলে মন্দিৰ প্ৰাংগণত ভিক্ষা কৰা আৰু কেতিয়াবা মালচা ভোগৰ আশাত মন্দিৰৰ চিৰিত বহি উজাগৰী নিশা কটোৱাৰ দৃশ্য উপন্যাসখনত

২১। মামণি ৰয়ছম গোস্বামী, *নীলকণ্ঠী ব্ৰজ*, পৃ. ১৩

মৰ্মস্পৰ্শী ৰূপত অংকন কৰিছে। প্ৰেতাত্মাসদৃশ কুষ্ঠৰোগত আক্ৰান্ত এনে ৰাধেশ্যামী বৃদ্ধাৰ মনৰ খং, ক্ষোভ আৰু জীয়াই থকাৰ সংগ্ৰাম উপন্যাসখনত বৰ্ণনা কৰা হৈছে— "তোমালোকে খাবৰ বাবে জীয়াই আছা, আমাক জীয়াই থাকিবৰ বাবে খাব দিয়া।"[২২] পেটৰ ভোকত কণ্ঠৰোধ হোৱাৰ উপক্ৰম হ'লেও বৃদ্ধা ৰাধেশ্যামীসকলক ৰাধা-কৃষ্ণৰ প্ৰেম-অনুৰাগৰ গীত গাবলৈ বাধ্য কৰোৱা হৈছে। কেৱল জীয়াই থকাই নহয়, ঔদ্ধ দেহিক লোভ আৰু ভয়ত সাঁচতীয়া অংশ গোপনে ৰাখিব বিচৰা অসহায় বৃদ্ধাৰ দুৰৱস্থা উপন্যসখনত তুলি ধৰিছে। জীৱনৰ সৰ্বস্ব কষ্টৰ বিনিময়ত গোপন কৰি ৰখা সাঁচতীয়া অংশ বিচাৰি বৃদ্ধ নাৰীৰ নগ্ন দেহৰ ওপৰত অসাধু পাণ্ডাৰ মৰ্মান্তিক অত্যাচাৰ অতি মৰ্মস্পৰ্শী ৰূপত উপন্যাসখনত দাঙি ধৰা হৈছে।

ৰেখা বৰগোহাঁইৰ *আবেলি বেলিৰ বেদনা* উপন্যাসত সাম্প্ৰতিক সমাজত আশ্ৰয়হীনা বৃদ্ধ নাৰীৰ মৰ্মবেদনা আৰু পুৰুষতকৈ বৃদ্ধ নাৰী বৃদ্ধাশ্ৰমমুখী হোৱাৰ তথ্য উপন্যাসখনত অংকন কৰিছে।

> অৱশ্যে বৃদ্ধাশ্ৰমবিলাকত পিতৃতকৈ বেছি মাতৃসকলহে আশ্ৰিতা হৈ আছে। কাৰণ মাতৃ এগৰাকীয়ে বৃদ্ধ অৱস্থাত, বিশেষকৈ বিধৱা হোৱাৰ পিছত সন্তান তথা পৰিয়াল-পৰিজনৰ পৰা বেছিকৈ অৱজ্ঞা-অৱহেলাৰ সন্মুখীন হোৱাত আশ্ৰমমুখী হ'ব লগা হৈছে। তাৰ বিপৰীতে কিন্তু সাধাৰণতে এজন পুৰুষে বৃদ্ধ অৱস্থাতো তেনে সমস্যাৰ সন্মুখীন নহয়।[২৩]

উপন্যাসখনত 'বৃদ্ধ পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ কৰ্তব্য' বিষয়ক সজাগতা সভা আৰু আলোচনাচক্ৰ অনুষ্ঠিত কৰাৰ তথ্য দাঙি ধৰিছে। এখন বৃদ্ধাশ্ৰম পৰিচালনাৰ বাবে অৰ্থ, স্বেচ্ছাসেৱী অনুষ্ঠান, সামাজিক সংগঠন, ন্যাস, ৰান্ধনি আৰু সহকাৰী পৰিচালক তথা কাৰ্যালয় চলাবলৈ সামাজিক দায়িত্ববোধ আৰু আন্তৰিক স্পৃহা থকা লোকৰ বিশেষ প্ৰয়োজন বুলি উপন্যাসখনত উল্লেখ পোৱা যায়। উন্নত মানৰ এখন বৃদ্ধাশ্ৰম গঢ়ি তুলিবলৈ পৰিচালিকাৰ ঐকান্তিক প্ৰচেষ্টা, আত্মস্বাৰ্থ বলিদান দিয়াৰ উল্লেখ উপন্যাসখনত পোৱা যায়। বৃদ্ধসকলক ৰেডিঅ', টিভিৰ যোগেদি মনোৰঞ্জন দিয়া, লুডু-কেৰেম খেলাৰে বিনোদন দিয়া, উৎসৱ-পাৰ্বণ, চিনেমা চাবলৈ বা বৃদ্ধ আৱাসীক আশ্ৰমৰ পৰা ফুৰাবলৈ নিয়া, আশ্ৰমত বিভিন্ন

২২। উল্লিখিত, পৃ. ২১

২৩। ৰেখা বৰগোহাঁই, *আবেলি বেলিৰ বেদনা*, পৃ. ১

দিৰস উদ্‌যাপনৰ বৰ্ণনা উপন্যাসখনত প্ৰকাশ পাইছে। মনেমিলা আৰাসীৰ মাজত গঢ় লোৱা প্ৰেমৰ আত্মিক সম্পৰ্ক আৰু সেই প্ৰেমক বিবাহৰ ৰূপ দিয়া আশ্ৰম পৰিচালকৰ সহযোগী মানসিকতাৰ পৰিচয় উপন্যাসখনত তুলি ধৰিছে। বৃদ্ধ লোকৰ নিঃসংগতা দূৰ কৰিবলৈ মানসিক আনন্দ-বিনোদনত গুৰুত্ব দিয়া উপন্যাসখনত দৃষ্টিগোচৰ হৈছে। বৃদ্ধ লোকৰ স্বাস্থ্য-সচেতনতা, শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক দিশত লক্ষণীয় দৃষ্টি আগবঢ়াইছে। সাম্প্ৰতিক সময়ত তথ্য-প্ৰযুক্তি আৰু গৱেষণাৰ নতুন নতুন সমলে শিক্ষিত বৃদ্ধসকলক পৰিচয় কৰি দিয়াৰ তথ্য উপন্যাসখনত পোৱা যায়। এনে ধৰণৰ উপন্যাসৰ সমলে সাম্প্ৰতিক সময়ত বৃদ্ধসকলৰ মনৰ জটিলতা আৰু সমস্যা লাঘৱ কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাৰ ন ন সমস্যাত গুৰুত্ব দিয়া একাংশ ঔপন্যাসিকৰ সামাজিক দায়বদ্ধতা আৰু মানসিক জটিলতাৰ চিত্ৰ অনুৰাধা শৰ্মা পূজাৰীৰ *জলছবি*, মণিকুন্তলা ভট্টাচাৰ্যৰ *বন্ধ ঘৰৰ খিৰিকী*, জিতুমণি বৰাৰ *শেষ পৃষ্ঠা* শীৰ্ষক উপন্যাসত কৌশলী ৰূপত উপস্থাপন কৰিছে। উপন্যাসকেইখনত সাম্প্ৰতিক বৃদ্ধসকলৰ ন ন মানসিক জটিলতাৰ ক্ষেত্ৰত গুৰুত্ব দিছে।

প্ৰকৃতিৰ চিৰাচৰিত প্ৰথা বাৰ্ধক্য কেৱল কালানুক্ৰমিক বয়স আৰু জৈৱিক শৰীৰৰ ক্ষয়-বৃদ্ধিৰ বাবে আহে বুলি সকলোৰে জ্ঞাত যদিও বাৰ্ধক্য 'জিন' সম্পৰ্কীয় বিসংগতিৰ কাৰণেও জীৱদেহৰ শৰীৰলৈ আহিব পাৰে— সেই কথা মানি ল'বলৈ কিন্তু সকলো প্ৰস্তুত নহয়। বাৰ্ধক্যজনিত ৰোগৰ নতুন জটিলতাৰ প্ৰতিফলন অনুপমা বৰগোহাঁয়ে *শ্যামকানু দূৰৈ হে নাযাবা* উপন্যাসখনত তুলি ধৰিছে। 'প্ৰোজেৰিয়া' নামৰ জিন সম্পৰ্কীয় ৰোগবিধে গুপ্ত আৰু প্ৰত্যক্ষ ঘাতক হৈ এটি চাৰিমহীয়া শিশুৰ দেহত বাৰ্ধক্যৰ লক্ষণ প্ৰকট কৰা এটি অবিশ্বাস্য ঘটনাক কেন্দ্ৰ কৰি উপন্যাসখন ৰচনা কৰা হৈছে। ঔপন্যাসিকে সমাজত সজাগতা সৃষ্টি কৰিবলৈ উপন্যাসখনৰ জৰিয়তে যত্ন কৰিছে। 'প্ৰোজেৰিন' নামৰ অসাধাৰণ 'লেমিন-এ' প্ৰ'টিনবিধৰ বিসংগতিত এটি চাৰিমহীয়া শিশুৰ দৈহিক আৰু মানসিক গঠনত বাৰ্ধক্যৰ লক্ষণে দেখা দিছে। সাধাৰণ বাৰ্ধক্যক গ্ৰহণীয় ৰূপত মানি ল'ব নোখোজা মানুহৰ মানসিকতাত বাৰ্ধক্যজনিত 'প্ৰোজেৰিয়া' ৰোগে শিশুটিৰ লগতে মাতৃগৰাকীকো জটিল সন্ধিক্ষণত উপনীত কৰাইছে। উপন্যাসখনত মাতৃ মানৱিকাৰ পুত্ৰস্নেহ আৰু বাৰ্ধক্যজনিত ৰোগবিধৰ প্ৰতি প্ৰত্যাহ্বান অংকন কৰা হৈছে। দুৰাৰোগ্য 'প্ৰোজেৰিন' ৰোগবিধক

প্ৰতিহত কৰিবলৈ মনৰ অদম্য সাহস, আত্মপ্ৰত্যয় আৰু আত্মবিশ্বাসৰ দৰে বৃদ্ধ লোকৰ মানসিকতাত ক্ৰিয়াশীল জটিল বাৰ্ধক্য সমস্যাসমূহ মষিমূৰ কৰিবলৈ সবল মানসিকতাৰ প্ৰয়োজন।[২৪]

শ্যামকানু নামৰ 'প্ৰোজেৰিয়া' ৰোগত আক্ৰান্ত শিশুটিয়ে 'ছানছাইন প্ৰজেৰীয়া ৰি-ইউনিয়ন' অনুষ্ঠানত নিজৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জয়ী হোৱাৰ মানসিক সবলতা উপন্যাসখনত চিত্ৰিত কৰিছে। উপন্যাসখনৰ পৰা এই কথা প্ৰতীয়মান হয় যে 'প্ৰোজেৰিয়া' বাৰ্ধক্য সৃষ্টি কৰা এবিধ ৰোগ হ'লেও প্ৰকৃত বাৰ্ধক্য প্ৰকৃতিসৃষ্ট জীৱৰ এটি স্তৰ বা অৱস্থা, ইয়াৰ মূল কাৰক কিন্তু শাৰীৰিক ৰোগ আৰু ৰোগৰ উপসৰ্গ। গতিকে শাৰীৰিক ৰোগ আৰু ৰোগৰ উপসৰ্গৰ প্ৰতি সমাজক সচেতন কৰিবলৈ বাৰ্ধক্য-জীৱনৰ কাহিনীসম্বলিত ন ন মানসিক দিশৰ জটিলতাই অসমীয়া উপন্যাসৰ সম্ভাব্য সমলত অৰিহণা যোগাব পাৰিব বুলি আশা কৰা যায়।

**উপসংহাৰ ঃ**

'অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ পৰিৱৰ্তিত ৰূপ ঃ আলোচ্য উপন্যাসৰ লগত পৰৱৰ্তী উপন্যাসৰ তুলনামূলক সমীক্ষা' অধ্যায়ৰ শেষত দেখা যায় যে বৃদ্ধ-মনস্তত্ত্ব বিষয়টো এটা গুৰুত্বপূৰ্ণ বিষয়। আলোচনাটোৰে বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ বৃদ্ধ-মনস্তত্ত্বৰ লক্ষণসমূহ স্পষ্ট কৰিছে। অন্যান্য ভাষাৰ সাহিত্যত বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস যথেষ্ট পোৱা গৈছে আৰু অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসতো বৃদ্ধ-মনস্তত্ত্বৰ লক্ষণ স্পষ্ট ৰূপত ধৰা দিছে। বৃদ্ধ-মনস্তত্ত্বৰ বিশ্বজনীন ৰূপে অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসক অন্যান্য ভাষাৰ সাহিত্যত প্ৰতিষ্ঠা কৰিব পাৰিব বুলি আশা কৰা যায়। তদুপৰি বৃদ্ধসকলৰ নিৰাপত্তাৰ ব্যৱস্থাত সাম্প্ৰতিক অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ সমলে ভৱিষ্যতে সুফল আনিব পৰাৰ সম্ভাব্য থল দেখা যায়।

---

২৪। "বন্ধ দুৱাৰে কঢ়িয়াই অনা অন্ধকাৰৰ ভয়ত চকু মুদি থকাতকৈ মনৰ পোহৰ জ্বলাই অন্য খোলা দুৱাৰ আছে নেকি তাকেহে বিচাৰিব লাগে। অন্ধকাৰক প্ৰত্যাহ্বান জনাই, মনৰ পোহৰ উজ্জ্বল কৰি অলপ ইফালে-সিফালে বিচাৰি চালেই পোহৰ সোমাই অহা কেইবাখনো দুৱাৰ বিচাৰি পোৱা যায়।"অনুপমা বৰগোহাঁই, *শ্যামকানু দুৰৈ হৈ নাযাবা*, পৃ. ২৮